# Course 506

# অন্তৰ্ভুক্তি শিক্ষাৰ লগত পৰিচয়

ব্লক - 3

গোট - 7



টোকা

## গোট - 7 ঃ অন্তৰ্ভুক্তি শিক্ষাৰ লগত পৰিচয়

# গঠন

7.0 প্ৰস্তাৱনা

7.1 শিকন উদ্দেশ্যাৱলী

7.2 অন্তৰ্ভুক্তি শিক্ষাৰ ধাৰণা

7.2.1 অন্তৰ্ভুক্তি শিক্ষাৰ অৰ্থ আৰু প্ৰকৃতি

7.2.2 অন্তৰ্ভুক্তি শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব

7.2.3 সম্পৰ্কিত আন ধাৰণাৰ লগত অন্তৰ্ভুক্তি শিক্ষাৰ ধাৰণাৰ পাৰ্থক্য

7.3 অন্তৰ্ভুক্তি শিক্ষাক প্ৰভাৱিত কৰা কাৰকসমূহ

7.3.1 শিক্ষাৰ্থীসকলৰ মাজৰ ভিন্নতা

7.3.2 শিক্ষকসকলৰ প্ৰস্তুতি

7.3.3 আন্তঃগাঁথনি

7.3.4 সম্পদৰ উপলব্ধতা

7.3.5 মূল্যায়ন প্ৰক্ৰিয়া

7.4. অন্তৰ্ভুক্তি শ্ৰেণী কোঠাৰ সৃষ্টি

7.4.1 শিকন সামগ্ৰীৰ ব্যৱহাৰ

7.4.2 ভৌতিক পৰিৱেশৰ সংশোধন

7.4.3 সাধাৰণ শ্ৰেণীকক্ষ ব্যৱস্থাপনা কৌশলৰ প্ৰয়োগ

7.4.4 শিশুৰ উপযোগী মূল্যায়ন ব্যৱস্থাৰ প্ৰয়োগ

7.5. শ্ৰেণীত বহিৰ্ভূত হোৱাৰ সম্ভাৱনাযুক্ত শিশুসকল ঃ

7.5.1 অক্ষমতা মুক্ত শিশু

7.5.2 বঞ্চিত পৰিৱেশৰ পৰা অহা শিশুসকল

7.5.3 ছোৱালী শিশু

7.5.4 প্ৰতিভা সম্পন্ন আৰু সৃজনশীল শিশুসকল

7.5.5 অন্যান্য- পিছপৰা শিশু, সংখ্যালঘু সম্প্ৰদায়ৰ শিশু, ভৌগোলিক বাধাগ্ৰস্ততাত ভোগা শিশু

7.6 সংক্ষেপে জানি থওঁ আহা

7.7 অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি

7.8 গোটৰ শেষৰ অনুশীলনী



টোকা

## 7.0 পাতনি ঃ

প্ৰতিজন শিশুৰেই এখন ৰাষ্ট্ৰৰ দায়িত্বৰ অন্তৰ্ভুক্ত। তেওঁলোক হৈছে ৰাষ্ট্ৰৰ ভৱিষ্যৎ নাগৰিক। এজন দেশৰ উন্নতিৰ বাবে প্ৰতিজন নাগৰিকৰ অৰিহণাৰ প্ৰয়োজন আছে। সেইবাবে সকলো শিশুৰেই স্বাস্থ্য, আনন্দ, পাৰদৰ্শিতা, নিৰাপত্তা আৰু কৃতকাৰ্য আদি দিশসমূহ নিশ্চিত কৰাৰ ক্ষেত্ৰত এখন ৰাষ্ট্ৰৰ দায়বদ্ধতা থাকে। বৰ্তমান গ্ৰহণ কৰা ‘শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা অধিকাৰ আইন (আৰ টি আই, ২০০৯)এই উদ্দেশ্যসাধনৰ ক্ষেত্ৰত এক উল্লেখনীয় পদক্ষেপ। এই জাতীয় লক্ষ্য পূৰণৰ ক্ষেত্ৰত এজন শিক্ষক হিচাবে আমাৰ অৰিহণা বিশেষ তাৎপৰ্যপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনেক বৈষম্য থাকিলেও প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে সবলীকৰণৰ ক্ষেত্ৰত শিক্ষক হিচাবে আমাৰ সক্ৰিয় সহযোগ অতি গুৰুত্বপূৰ্ণ। শিক্ষাৰ্থীসকলৰ মাজৰ বৈষম্য বিভিন্ন দিশত হ'ব পাৰে। যেনে - তেওঁলোকৰ শিকন ক্ষমতা, আৰ্থসামাজিক পটভূমি, সাংস্কৃতিক পাৰ্থক্য অথবা আবেগিক আচৰণজনিত বৈশিষ্ট্য ইত্যাদি। তেওঁলোকৰ সৰ্বাধিক বিকাশৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাত সমান সুযোগ সুবিধা প্ৰদান কৰিব লাগে। এই লক্ষ্যত উপনীত হোৱাত সহায় কৰাই অন্তৰ্ভুক্তি শিক্ষাৰ মুখ্য উদ্দেশ্য। দৰাচলতে ইয়াক এক উৎসাহদায়ক আৰু ইতিবাচক পদক্ষেপ বুলি ক'ব পৰা যায়। এই অধ্যায়ত আমি অন্তৰ্ভুক্তি শিক্ষা কি এই বিষয়ে আলোচনা কৰিম। এই বিষয়ে আলোচনা কৰিলে ইয়াৰ প্ৰয়োজনীয় সম্পৰ্কে আমি জ্ঞাত হোৱাৰ লগতে এই প্ৰচেষ্টাত বাধা প্ৰদান কৰা কাৰণ সমূহৰ বিষয়েও জানিব পাৰিম। আমি অন্তৰ্ভুক্তিমূলক শ্ৰেণীকক্ষ সৃষ্টিত এজন শিক্ষকৰ ভূমিকা কেনে হোৱা উচিত সেই সম্পৰ্কেও আলোচনা কৰিম। এই পৰিপ্ৰেক্ষিতত শ্ৰেণীকক্ষত সমাযোজনা স্থাপনৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হোৱা শিশুসকলৰ বিষয়েও ধাৰণা লাভ কৰিব পাৰিম। গোটৰ প্ৰতিটো দিশৰ আলোচনাৰ ক্ষেত্ৰত ভিন্ন চাহিদাযুক্ত শিশুসকলৰ লগত উপযুক্তভাৱে খাপ খাই চলাৰ ক্ষেত্ৰত শিক্ষক হিচাবে আপোনাৰ ভূমিকা কেনে হোৱা উচিত, এই বিষয়ে বিশ্লেষণ আগবঢ়োৱা হ'ব। এইটো নিশ্চিত যে এই গোটটো সম্পূৰ্ণকৰণৰ পিছত আপুনি আমাৰ জাতীয় লক্ষ্যত উপনীত হোৱাত শিক্ষক হিচাপে আপোনাৰ সাহায্যৰ তাৎপৰ্য উপলব্ধি কৰি আনন্দ লাভ কৰিব পাৰিব।

## 7.1 শিকনৰ উদ্দেশ্যাৱলী ঃ

এই গোটটো অধ্যয়নৰ পিছত আপুনি সক্ষম হ'ব—

- অন্তৰ্ভুক্তি শিক্ষাৰ অৰ্থ ব্যাখ্যা কৰিবলৈ
- অন্তৰ্ভুক্তি শিক্ষাৰ প্ৰয়োজনীয়তা বিচাৰ কৰিবলৈ
- সমন্বিত শিক্ষা আৰু অন্তৰ্ভুক্তি শিক্ষাৰ পাৰ্থক্য বিচাৰ কৰিবলৈ
- অন্তৰ্ভুক্তি শিক্ষাক প্ৰভাৱিত কৰা কাৰকসমূহ তালিকাবদ্ধ কৰিবলৈ



টোকা

- অন্তৰ্ভুক্তি শিক্ষাৰ প্ৰয়োজনীয়তা বহনকাৰী শিশুসকলক চিনাক্ত কৰিবলৈ
- বিদ্যালয় আৰু শ্ৰেণীকক্ষত অন্তৰ্ভুক্তিকৰণ নিশ্চিত কৰাৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা বৰ্ণনা কৰিবলৈ

## 7.2 অন্তৰ্ভুক্তি শিক্ষাৰ ধাৰণা ঃ

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত প্ৰতিজন নাগৰিকক সুযোগ সুবিধা উপভোগৰ সমতাৰ নিশ্চয়তা প্ৰদান কৰা হয়। সাংবিধানিকভাৱে এই অধিকাৰ লাভ কৰাৰ পিছতো বাস্তৱ ক্ষেত্ৰত আমাৰ সমাজত আনুষ্ঠানিক ৰূপত অনেক বৈষম্য দেখা পোৱা যায়। ব্যক্তিৰ সামাজিক, সাংস্কৃতিক, দৈহিক, বৌদ্ধিক আৰু আচৰণমূলক বৈশিষ্ট্যৰ পাৰ্থক্য পৰিপ্ৰেক্ষিতত ব্যক্তিসকল অনেক বাধা নিষেধৰ সন্মুখীন হয়। ই অগণতান্ত্ৰিক আৰু অপ্ৰাকৃতিক এই পৃথকীকৰণ প্ৰকৃতিৰ নীতি বিৰুদ্ধ। সূৰ্যই বিনা বিচাৰে সকলোকে সমানে তাপ আৰু পোহৰ দিয়ে, বতাহে এই বিশ্বৰ কাকো নিদিও বুলি নকয়। প্ৰকৃতিয়ে কোনো বৈষম্য নৰখাকৈ সমাজৰ সকলো সদস্যকে তেওঁলোকৰ সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ বিকাশৰ বাবে সমান সুযোগ সুবিধা প্ৰদান কৰে।

কিছুমান বিদ্যালয়ত কিছুমান বিশেষ শিশুক নামভৰ্তি কৰিব নিবিচাৰে কিন্তু কিয়? কিছুমান শিশু শৈক্ষিক সা-সুবিধাৰ পৰা বঞ্চিত হয়। তেওঁলোক কোন? শিক্ষাত পৃথকীকৰণ ব্যৱস্থাৰ ফলত আৰু বিদ্যালয়লৈ যোৱা বয়সৰ কিছুমান শিশুক বিদ্যালয়ত নামভৰ্তি কৰিবলৈ সুযোগ দিব নোৱাৰা কাৰ্যই শিশুসকলৰ সমতা আৰু সমাজত অংশগ্ৰহণৰ অধিকাৰ খৰ্ব কৰে। এনে পৰিস্থিতিত ব্যক্তিৰ ব্যক্তিগত সামৰ্থৰ মূল্য অৱহেলিত হয়। এই কথাৰ গুৰুত্ব উপলব্ধি কৰি ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক ঘোষণাসমূহত সকলো শিশুকে কোনো বৈষম্য বিচাৰ নকৰাকৈ বিদ্যালয়ত নামভৰ্তিৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। সেইবাবে সাম্প্ৰতিক সময়ত গ্ৰহণ কৰা সকলো শৈক্ষিক পৰিকল্পনা আৰু নীতিত সকলো শিশুকে শিক্ষা গ্ৰহণৰ সমান সুযোগ সুবিধা প্ৰদানৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। এই নীতি গণতান্ত্ৰিক ভাবাদৰ্শৰ দ্বাৰা প্ৰভাৱিত। এই নীতিৰ ওপৰত ভিত্তি কৰিয়েই শিক্ষাৰ ক্ষেত্ৰত অন্তৰ্ভুক্তি শিক্ষাৰ ধাৰণাৰ সংযোজন ঘটোৱা হৈছে। এই অন্তৰ্ভুক্তি হৈছে শিশুসকলৰ আন্তঃশক্তি গঠন কৰা আৰু আত্মবিশ্বাস জাগ্ৰত কৰা। ইয়াৰ দ্বাৰা বিভিন্ন বাহ্যিক কাৰকে সৃষ্টি কৰা সীমাবদ্ধতাসমূহ আওকাণ কৰি শিশুসকলৰ মাজৰ পাৰ্থক্যক ইতিবাচক মূল্য প্ৰদান কৰা হয়। এই সম্পৰ্কত ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈছিল— 'বৈষম্যসমূহ কেনেকৈ দূৰ কৰিব পাৰি এইটো আচল কথা নহয়, আচল কথা হৈছে এই বৈষম্যবোৰৰ মাজতেই কেনেকৈ ঐক্য অক্ষুণ্ণ ৰাখিব পৰা যায়। (The problem is not to wipe out the differences but how to unite with the differences intact)



টোকা

## 7.2.1. অন্তৰ্ভুক্তি শিক্ষাৰ অৰ্থ আৰু প্ৰকৃতি ঃ

এগৰাকী পেছাদাৰী বা বৃত্তিধাৰী ব্যক্তি হিচাবে এজন ডাক্তৰে এজন এজনকৈ ৰোগীৰ সমস্যাসমূহ বিচাৰ কৰি চায়। এজন উকীলে ব্যক্তিৰ অভিযোগসমূহ পৃথকে পৃথকে মোকাবিলা কৰে। অৰ্থাৎ প্ৰত্যেকৰ সমস্যাসমূহৰ ভিন্নতাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ প্ৰয়োজনীয় সাহায্যসমূহৰ ভিন্নতাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকক সাহায্য প্ৰদানৰ ক্ষেত্ৰত ব্যক্তিগত সমস্যাসমূহ পৃথকে পৃথকে বিচাৰ কৰা হয়। কিন্তু পেছাদাৰী ব্যক্তি হিচাবে আমি শিক্ষকসকলে সৰু সৰু শিশুসকলক দলীয় ভাৱেৰে বিচাৰ বিবেচনা কৰোঁ। এই ক্ষেত্ৰত ইয়াৰ বিপৰীতে এক একক হিচাবে এটা দলত ব্যক্তিৰ ব্যক্তিগত প্ৰয়োজনীয়তাক গুৰুত্ব আৰোপ কৰি গুণগত শিক্ষা প্ৰদানৰ ব্যৱস্থাকে অন্তৰ্ভুক্তি শিক্ষা বুলি কোৱা হয়। এই বিশেষ নামৰে নামকৰণ নকৰিলেও আপুনি হয়তো শিক্ষাদানৰ ক্ষেত্ৰত এই ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। কাৰণ অতীজৰে পৰা শিশুসকলৰ ভিন্নমুখী পটভূমিৰ থকা সত্বেও প্ৰত্যেক শিশুকে প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰা হৈছিল। তেওঁলোকক তেওঁলোকৰ ক্ষমতা অনুযায়ী বিকাশৰ সুবিধা প্ৰদান কৰি আত্মনিৰ্ভৰশীল আৰু সামাজিকভাৱে উৎপাদনশীল কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। কিন্তু পৰৱৰ্তী সময়ত শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন দিশৰ পৰা উদ্ভৱ হোৱা হেঁচাৰ ফলত আমি এই গণতান্ত্ৰিক নীতিৰ পৰা বিচ্যুত হ'ব লগা হৈছিল। এতিয়া আমি শিক্ষাৰ অন্তৰ্ভুক্তি লগত জড়িত আৰু এই শিক্ষা সম্পৰ্কে চিন্তা চৰ্চা কৰা ব্যক্তিসকলৰ ধাৰণা অনুযায়ী অন্তৰ্ভুক্তি শিক্ষা কি? এই বিষয়ে কিছু আলোকপাত কৰোঁ আহক।

অন্তৰ্ভুক্তি শিক্ষা হৈছে শিক্ষা প্ৰক্ৰিয়াত অৱহেলিত হোৱাৰ সম্ভাৱনা বহনকাৰী সকলো শিশুকে শিক্ষা প্ৰদান কৰাৰ এক বিশেষ ব্যৱস্থা। এই ক্ষেত্ৰত আশা কৰা হয় যে সকলো শিক্ষাৰ্থীয়ে সাধাৰণ শৈক্ষিক সা-সুবিধাসমূহৰ সুযোগ গ্ৰহণ কৰি একে লগে শিক্ষা গ্ৰহণ কৰিব পাৰে। এই ক্ষেত্ৰত পিতৃ-মাতৃ, শিক্ষক সমাজৰ সদস্যসকল, প্ৰশাসকসকল আৰু নীতি নিৰ্ধাৰকসকল অতি গুৰুত্বপূৰ্ণ ব্যক্তি।এই লোকসকলৰ প্ৰত্যেকেই শিশুসকলৰ ভিন্নমুখী চাহিদাসমূহৰ পৰিপ্ৰেক্ষিতত সহযোগিতামূলক মনোভাৱ গ্ৰহণ কৰা উচিত। ইয়াক এক সমস্যা হিচাবে বিচাৰ কৰাৰ পৰিবৰ্তে এক অভিজ্ঞতা হিচাপেহে গ্ৰহণ কৰা উচিত। এইখিনিতে প্ৰশ্ন হয় অন্তৰ্ভুক্তি শিক্ষাৰ ক্ষেত্ৰত আমাৰ বিচাৰ বিবেচনাৰ কেন্দ্ৰবিন্দু কি হোৱা উচিত?

এই প্ৰশ্নক ইয়াক আমি তলত উল্লেখ কৰা পৰিস্থিতিৰ ভিত্তিত বিচাৰ কৰি চাওঁ আহক।

লাথাই চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীসকলক ভাষাৰ পাঠ্যপুথিৰ পৰা 'আম' নামৰ পাঠটি শ্ৰেণীত শিক্ষাদানৰ বাবে প্ৰস্তুত কৰি লৈছিল। তেখেতে পাঠটি আম পৰ্যাপ্ত পৰিমাণে উপলব্ধ হোৱা সময়ত পাঠদানৰ বাবে পৰিকল্পনা কৰিছিল। তেওঁ শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ পৰা এটকাকৈ সংগ্ৰহ কৰিছিল আৰু কিছুমান পকা আম শ্ৰেণীকক্ষলৈ কিনি আনিছিল। বিভিন্ন দলত বিভক্ত, শ্ৰেণীৰ সকলো শিক্ষাৰ্থী বিদ্যালয়ৰ ওচৰৰ এজোপা



টোকা

ডাঙৰ আম গছৰ তলত সমবেত হৈছিল। প্ৰতিটো দলৰ সন্মুখত দুটাকৈ আম ৰখা হৈছিল। আমৰ ৰং, আকাৰ, গোন্ধ আৰু গঠন বিন্যাস সম্পৰ্কে পাঠত দিয়া বৰ্ণনা শিক্ষকে শিক্ষাৰ্থীক পঢ়ি শুনাইছিল। পাঠত শিকা প্ৰতিটো নতুন শব্দ শিক্ষাৰ্থীসকলে টোকাবহীত লিখি ৰাখিছিল। শিক্ষকে প্ৰতিটো শব্দৰ অৰ্থ শিক্ষাৰ্থীৰ সন্মুখত ৰখা আমৰ লগত সম্পৰ্কিত কৰিছিল। শিক্ষাৰ্থীসকলে তেওঁলোকৰ সন্মুখত ৰখা আম স্পৰ্শ কৰিছিল, গোন্ধ লৈছিল আৰু পৰ্যবেক্ষণ কৰিছিল। বিভিন্ন ছবিত সাধাৰণতে ব্যৱহৃত আমৰ আকাৰ শিক্ষাৰ্থীসকলে চাইছিল তেওঁলোকে শিক্ষয়িত্ৰীৰ শাৰীত আমৰ ছবি চিনাক্ত কৰিছিল। শিক্ষয়িত্ৰীয়ে আমৰ আকাৰৰ নক্সা থকা বিয়াৰ চিঠি আৰু গ্ৰিটিংছ কাৰ্ড শিক্ষাৰ্থীসকলক দেখুৱাইছিল। এইদৰে সোৱাদৰ বাহিৰে আমৰ আন সকলো বৈশিষ্ট্য ব্যাখ্যা কৰা হৈছিল। পাঠটো অন্ত কৰাৰ আগতে লাথাই সকলোকে তাত সংৰক্ষণ কৰি ৰখা পানীৰে হাত ধুবলৈ কৈছিল। প্ৰত্যেক দলৰ এজন ছাত্ৰই পানী বাকী দিছিল আৰু বাকীবোৰ হাত ধুই হাত পৰিষ্কাৰ কৰিছিল। প্ৰতিটো দলৰ শিক্ষাৰ্থীসকলে হাত ধুই আহি পুনৰ বঢ়াৰ সময় ছোৱাৰ ভিতৰত লাথাই আম কাটিছিল। ৰসাল উজ্জ্বল হালধীয়া মুখৰ পানী ওলোৱা গোন্ধ আৰু সোৱাদ মুক্ত আম বিলাক শিক্ষাৰ্থীসকলে তৃপ্তিৰে খাইছিল গোটেই পাঠটোত শিক্ষকগৰাকীয়ে কি কৰিলে বাৰু?

- তেখেতে প্ৰতিটি শিশুকে দলৰ অন্তৰ্ভুক্ত এজন সদস্য হিচাবে গ্ৰহণ কৰিছিল।
- শিশুৰ প্ৰয়োজনসমূহ বিচাৰ কৰিব পৰাকৈ দৈহিক আৰু মনোভাৱগত দিশৰ পৰা শ্ৰেণীটোক পুনঃসংগঠন কৰিছিল।
- শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ নিশ্চিত কৰি শ্ৰেণী কাৰ্যৰ পৰিকল্পনা কৰিছিল।
- শিক্ষাৰ্থীসকলৰ মাজত থকা বৈষম্যৰ প্ৰতি প্ৰতিক্ৰিয়াশীলতা তেওঁৰ মূল বিচাৰ্য বিষয় আছিল।

ওপৰৰ বৰ্ণনাৰ ওপৰত ভিত্তি কৰি আৰু অনেক বিষয় আপোনালোকে উল্লেখ কৰিব পাৰিব। তলৰ খালী ঠাইত ইয়াৰ এখন তালিকা প্ৰস্তুত কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 7.2.2. অন্তৰ্ভুক্তি শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব ঃ

প্ৰতিজন শিশুৰেই শিক্ষা গ্ৰহণৰ অধিকাৰ আছে। মানৱ সমাজৰ উন্নতিৰ বাবে এখন সমাজত বিভিন্ন ব্যক্তিৰ প্ৰয়োজন হয়। অন্তৰ্ভুক্তি শিক্ষাৰ দ্বাৰা এই কাৰ্য সম্পাদন



টোকা

কৰিব পৰা যায়। এতিয়া আমি বিভিন্ন দিশৰ পৰা অন্তৰ্ভুক্তি শিক্ষাৰ প্ৰয়োজনীয়তাক বিচাৰ কৰি চাওঁ আহক—

**মানৱ অধিকাৰ ঃ**

- সকলো শিশুৰেই একেলগে শিক্ষা গ্ৰহণৰ অধিকাৰ আছে।
- কোনো ব্যক্তিয়েই শিশুসকলক তেওঁলোকৰ শিকন ক্ষমতা আৰু সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু পাৰিবাৰিক পটভূমিৰ পৰিপ্ৰেক্ষিতত পৃথক দৃষ্টিভংগীৰে বিচাৰ কৰিব নোৱাৰিব।

**শিক্ষা ঃ**

- গৱেষণাৰ দ্বাৰা এইটো প্ৰমাণিত হৈছে যে শিশুসকলে অন্তৰ্ভুক্তিৰ পৰিৱেশত শৈক্ষিক আৰু সামাজিকভাৱে অধিক উপকৃত হয়।
- যথোপযুক্ত দায়বদ্ধতাৰে আৰু সাহায্য প্ৰদানৰে পৰিচালিত অন্তৰ্ভুক্তি শিক্ষাৰ দ্বাৰা শৈক্ষিক সম্পদ সমূহক অধিক কাৰ্যকাৰিতাৰে ব্যৱহাৰ কৰিব পাৰি।

**সামাজিক ঃ**

- প্ৰতিজন শিশুৱে তেওঁলোকৰ চৌপাশে থকা বিভিন্ন ব্যক্তিৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা তেওঁলোক জীৱনৰ মূলধাৰা লগত মিলিবৰ বাবে সক্ষম হৈ উঠে।
- অন্তৰ্ভুক্তিয়ে ভয় দূৰ কৰে আৰু বন্ধুত্বৰ বিকাশ সাধন কৰে।
- ইয়াৰ দ্বাৰা একেলগৰ ব্যক্তিসকলৰ মাজত পাৰস্পৰিক সন্মান, বুজাপৰা আৰু সহৃদয়তাৰ ভাৱ বৃদ্ধি পায়।

**মনোবৈজ্ঞানিক ঃ**

- দলত নিৰাপদ আৰু সুৰক্ষিত ভাবৰ বিকাশ
- বৈষম্যতাৰ মাজতো ব্যক্তিগত ক্ষমতাৰ ওপৰত বিশ্বাসৰ সৃষ্টি কৰা।

অন্তৰ্ভুক্তি শিক্ষাই শিশুৰ বিকাশত বিভিন্ন ধৰণৰ সহায় কৰিব পাৰে। বিশেষ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা শিশুসকলৰ দৈহিক, সংজ্ঞানাত্মক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত এই ব্যৱস্থাই বিশেষ ভূমিকা গ্ৰহণ কৰে। সাধাৰণ পৰিবেশক এই শিশুসকলৰ বিশেষ প্ৰয়োজনীয়তাৰ লগত সামঞ্জস্য ৰক্ষা কৰি সংগঠিত কৰিলে শিশুসকল বিশেষভাৱে উপযুক্ত হয়। বিদ্যালয়ৰ শিশুসকলৰ মনত সাধাৰণতে ভিন্নতাযুক্ত ব্যক্তিসকল আৰু যিসকলক লোক বঞ্চিত তেওঁলোকৰ প্ৰতি সহনশীলতাৰ মনোভাৱৰ সৃষ্টি কৰে। কিছুমান শিশুক আমি শিক্ষা প্ৰক্ৰিয়াৰ পৰা বহিৰ্ভুত কৰিলে সমাজৰ ব্যক্তিসকলৰ মাজত বিভেদৰ সৃষ্টি হ'ব। এনে অৱস্থাত পৰৱৰ্তী সময়ত এই লোকসকলক সমাজৰ উন্নতিমূলক কোনো কৰ্মত অন্তৰ্ভুক্ত কৰা কঠিন হৈ পৰিব। এইদৰেই অন্তৰ্ভুক্তি শিক্ষাই বৈচিত্ৰ্য বা ভিন্নতাক স্বীকাৰ কৰি,সন্মান প্ৰদৰ্শন কৰি আৰু বৈচিত্ৰ্যক উদ্‌যাপন কৰি এখন অন্তৰ্ভুক্তি সমাজৰ বুনিয়াদ গঢ়ি তোলে (MHRD, 2005)

টোকা

অন্তৰ্ভুক্তি শিক্ষাৰ উপকাৰিতা ঃ

- অন্তৰ্ভুক্তি শিক্ষাই দৰিদ্ৰতা আৰু বহিষ্কৰণৰ চক্ৰ বন্ধ কৰাত সহায় কৰিব পাৰে।
- ই শিশুসকলক সমাজ আৰু পৰিয়ালত একে লগে থকাত উৎসাহ প্ৰদান কৰে।
- বিদ্যালয় পৰিবেশক সকলো শিক্ষাৰ্থীৰ উপযোগী কৰি গঢ় দিব পৰা যায়।
- সমাজৰ সকলো স্তৰত প্ৰসাৰিত হৈ থকা বৈষম্য সমূহ দূৰ কৰাত এই ব্যৱস্থাই সহায় কৰিব পাৰে।
- ই জাতীয় বিকাশৰ বাবে প্ৰয়োজনীয় বহল পৰিসৰৰ অন্তৰ্ভুক্তিৰ সুযোগ প্ৰদান কৰিব পাৰে।

আপোনাৰ নিজস্ব বিচাৰ অনুযায়ী অন্তৰ্ভুক্তি শিক্ষাৰ উপযোগিতা সম্পৰ্কে আন কিছুমান দিশ ওপৰৰ তালিকাত সংযোজন কৰক—

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 7.2.3. অন্তৰ্ভুক্তি শিখাৰ লগত সম্পৰ্কিত অন্যান্য ধাৰণাৰ লগত অন্তৰ্ভুক্তি শিক্ষাৰ ধাৰণাৰ পাৰ্থক্য ঃ

বৰ্তমান সময়ত শিক্ষাৰ ক্ষেত্ৰত ‘সমন্বিত শিক্ষা’ নামটোৰ পৰিবৰ্তে ‘অন্তৰ্ভুক্তি শিক্ষা’ ব্যৱহাৰ কৰা হয়। কিন্তু শিক্ষা লগত জড়িত অনেকে এই দুয়োটাকে একে অৰ্থত ব্যৱহাৰ কৰে। তেওঁলোকে ‘সমন্বিত শিক্ষা’ আৰু ‘অন্তৰ্ভুক্তি শিক্ষা’ক কেৱল নামকৰণৰ ক্ষেত্ৰতহে পৃথক বুলি বিবেচনা কৰে। কিন্তু প্ৰকৃত অৰ্থত ‘অন্তৰ্ভুক্তি শিক্ষা’ সমন্বিত শিক্ষাতকৈ যথেষ্ট ব্যাপক। অন্তৰ্ভুক্তিকৰণ আৰু মূলধাৰাত অন্তৰ্ভুক্তকৰণ এই দুয়োটা অক্ষমতাযুক্ত শিশুসকলক শিক্ষা প্ৰদানৰ বাবে পৃথককৰণ ব্যৱস্থাৰোধ কৰিবৰ বাবে ব্যৱহৃত ব্যৱস্থাক বুজাবৰ বাবে ব্যৱহাৰ কৰা হয়। অন্তৰ্ভুক্তি শিক্ষাৰ ধাৰণা অত্যন্ত ব্যাপক। ইয়াৰ দ্বাৰা শিক্ষাৰ ক্ষেত্ৰত পৃথকীকৰণ বন্ধ কৰাত গুৰুত্ব দিয়া হয়। এতিয়া আমি এই ব্যৱস্থাসমূহৰ বিষয়ে আলোচনা কৰো আহক।

**মূল ধাৰাত অন্তৰ্ভুক্তিকৰণ ঃ**

প্ৰথম অৱস্থাত অক্ষমতাযুক্ত শিশুসকলক নিয়মীয়া শিক্ষা ব্যৱস্থাৰ দ্বাৰাই শিক্ষা প্ৰদানৰ চেষ্টা কৰা হৈছিল। এই ক্ষেত্ৰত প্ৰথমে কিছুমান বিশেষ বিদ্যালয় প্ৰতিষ্ঠা কৰি অক্ষমতাযুক্ত শিশুসকলক মূলধাৰালৈ অনাৰ বাবে প্ৰস্তুত কৰি তোলা হৈছিল। এনেদৰে প্ৰস্তুতি লাভ কৰা শিশুসকলক বিশেষ শিক্ষা পৰিস্থিতিৰ পৰা নিয়মীয়া সাধাৰণ শিক্ষা



টোকা

ব্যৱস্থালৈ স্থানান্তৰ কৰা হৈছিল। ইয়াত প্ৰস্তুতিৰ দ্বাৰা বিদ্যালয়ৰ শৈক্ষিক আৰু সামাজিক চাহিদা সমূহৰ লগত খাপ খাই চলাৰ সামৰ্থ্য বুজোৱা হয়। এই প্ৰক্ৰিয়াকে মূলধাৰাত অন্তৰ্ভুক্তকৰণ বুলি কোৱা হয়।

**সমন্বিতকৰণ/একত্ৰিকৰণ ঃ**

সমন্বিতকৰণ বা একত্ৰিকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা অক্ষমতাযুক্ত শিশুসকলক সাধাৰণ সক্ষম শিশুসকলৰ বাবে নিৰ্ধাৰিত প্ৰচলিত শিক্ষা ব্যৱস্থাত অংশগ্ৰহণৰ বাবে বা যোগদানৰ সুযোগ প্ৰদান কৰা প্ৰক্ৰিয়াক বুজোৱা হৈছিল। ইয়াত সাধাৰণ শিক্ষা ব্যৱস্থাত অংশগ্ৰহণৰ বা যোগদানৰ দায়িত্ব শিশুটিৰ নিজৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াত (বিদ্যালয়) আৰু শ্ৰেণীকক্ষৰ শিকন সামগ্ৰী বা শিক্ষাদানৰ পদ্ধতিসমূহ অক্ষমতাযুক্ত শিশুসকলৰ চাহিদা আৰু প্ৰয়োজনীয়তাৰ লগত খাপ খোৱাকৈ প্ৰস্তুত কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নহৈছিল। ইয়াত একে শ্ৰেণীতে একে সময়তে শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হয়।

**অন্তৰ্ভুক্তিকৰণ ঃ**

ওপৰত উল্লেখ কৰা সকলো ব্যৱস্থাই নিঃসন্দেহে এক ব্যাপক আৰু গণতান্ত্ৰিক দৃষ্টিভংগী হিচাবে ‘অন্তৰ্ভুক্তি শিক্ষা ব্যৱস্থা প্ৰয়োগৰ বাবে এক পটভূমিৰ সৃষ্টি কৰিছিল। এই ব্যৱস্থাই এখন সমাজ হিচাবে বিদ্যালয় পৰিৱেশক পুনঃ সংগঠিত কৰাত গুৰুত্ব প্ৰদান কৰে। সকলো শিশুৱে কোনো বৈষম্যৰ সন্মুখীন নোহোৱাকৈ এক সাধাৰণ পৰিৱেশত শিক্ষা লাভৰ সুযোগ লাভ কৰিব পাৰে। এটি শ্ৰেণীকক্ষত সাৰ্থকতাৰে সকলো শিশুক গুণগত শিক্ষা প্ৰদানৰ বাবে উৎকৃষ্ট শিক্ষাদান পদ্ধতিৰ প্ৰয়োগ আৰু শিক্ষক-শিক্ষাৰ্থীৰ মাজত সুস্থ সম্পৰ্ক স্থাপন অন্তৰ্ভুক্তি শিক্ষাৰ দাৰ্শনিক ভিত্তি। এই ক্ষেত্ৰত নিয়মীয়া শ্ৰেণীকক্ষৰ পৰিৱেশ ব্যক্তিগত চাহিদাসমূহ পূৰণ কৰিব পৰাকৈ গঢ় দি তোলা হয়। এই ব্যৱস্থাত পাঠ্যক্ৰম, বিশেষ শিক্ষা দান পদ্ধতি, প্ৰাপ্তবয়স্কৰ দ্বাৰা বিশেষ সহায় আদি দিশবোৰৰ প্ৰয়োজন আনুযায়ী সালসলনি কৰি আৰু অতিৰিক্ত সময় প্ৰদান কৰি একত্ৰিকৰণ বা সমন্বিতকৰণৰ ভিত্তিত স্থান সংক্ৰান্ত আৰু সময়ভিত্তিক স্থান প্ৰদান কৰি শিশুসকলক উপকৃত কৰিবৰ বাবে প্ৰচেষ্টা কৰা হয়।

**অন্তৰ্ভুক্তি শিক্ষা আৰু সমন্বিত/একত্ৰিকৰণ শিক্ষাৰ মাজৰ পাৰ্থক্য ঃ**

অন্তৰ্ভুক্তি আৰু সমন্বিত এই দুয়ো প্ৰকাৰৰ শিক্ষাৰ এটা সাধাৰণ উদ্দেশ্য আছে। এই দুয়ো ব্যৱস্থাৰ সাধাৰণ উদ্দেশ্য হৈছে অক্ষমতাযুক্ত শিশুসকলক নিয়মীয়া বিদ্যালয়ত স্থান প্ৰদান কৰা। এই সাধাৰণ সাদৃশ্য থাকিলেও এই দুই প্ৰকাৰৰ ব্যৱস্থাৰ মাজত অনেক পাৰ্থক্য দেখিবলৈ পোৱা যায়।

সমন্বয়কৰণ বা একত্ৰিতকৰণ প্ৰক্ৰিয়া হৈছে অক্ষমতাযুক্ত শিশুসকলক বিদ্যালয়ৰ মূলধাৰাৰ বাবে উপযোগী কৰি তোলা। সমন্বয়ৰ মূল বিষয় হৈছে শিশুক সাধাৰণ প্ৰক্ৰিয়াৰ বাবে উপযুক্ত কৰি তোলা। সেইবাবে এই ব্যৱস্থাত অক্ষমতাযুক্ত শিশুক প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত প্ৰস্তুত কৰা হয়। এই ক্ষেত্ৰত শ্ৰেণীকক্ষৰ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। উদাহৰণ স্বৰূপে, শ্ৰৱণ

টোকা

বিকলতাত ভোগা শিশুসকলক উপযুক্ত শ্ৰৱণ আহিলা প্ৰদান কৰি শ্ৰেণী শিকনৰ প্ৰতি উপযুক্ত কৰি তোলা হয়। সেইদৰেই সম্পদ কক্ষত শিশুটিক শ্ৰৱণ আৰু কথন প্ৰশিক্ষণৰো ব্যৱস্থা কৰিব পৰা যায়। এজন দৃষ্টি সম্পৰ্কীয় বিকলতাত ভোগা শিশুক সম্পদ কক্ষলৈ বা ৱেৰেলী শিকিবৰ বাবে বিশেষ কেন্দ্ৰলৈ প্ৰেৰণ কৰিব পাৰি। এটি সঞ্চালন মূলক বাধাগ্ৰস্ততাত ভোগা শিশুক সঞ্চালন সহায়কাৰী কোনো আহিলা প্ৰদান কৰিব পৰা যায়। সেইদৰেই বিদ্যালয়ৰ বা শ্ৰেণীকক্ষৰ ভৌতিক আন্তঃগাঁথনিৰ সংস্কাৰ কৰি এনে শিশুৰ বিদ্যালয় বা শ্ৰেণীকক্ষত সহজে চালচলনৰ ব্যৱস্থা কৰিব পাৰি। এই ব্যৱস্থা সমূহ সাধাৰণ মানুহৰ মনোভাৱৰ পৰিবৰ্তনৰ ক্ষেত্ৰত বিশেষ আদৰণীয়।

প্ৰকৃত পক্ষে, সমন্বয়নে আমাক অন্তৰ্ভুক্তিকৰণৰ প্ৰয়োগৰ বাবে প্ৰস্তুতি প্ৰদান কৰে। অন্তৰ্ভুক্তি শিক্ষা হৈছে এক কাৰ্য পদ্ধতি আৰু চিন্তাৰ এক বিশেষ দিশ। ইয়াক সকলো শিশুৰ ক্ষেত্ৰত সকলো সময়তে প্ৰয়োগ কৰিব পৰা যায়। অন্তৰ্ভুক্তিকৰণে শিশুক পৰিৱৰ্তনৰ বিপৰীতে শিক্ষাৰ পদ্ধতিগত দিশৰ পৰিবৰ্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অন্তৰ্ভুক্তি শিক্ষাত অক্ষমতা যুক্ত শিশুসকল আৰু আন প্ৰত্যাহ্বানৰ সম্ভাৱনীয়তা বহনকাৰী শিশুসকল সাধাৰণ শিক্ষাৰ স্বাভাৱিক শ্ৰেণীকক্ষ সমূহৰ সদস্য। ইয়াত শ্ৰেণী কক্ষৰ স্বাভাৱিক কাম-কাজত প্ৰত্যেক শিশুকে অংশগ্ৰহণ কৰাত গুৰুত্ব প্ৰদান কৰা হয়। শিশুৰ লগত খাপ খোৱা বিধৰ পাঠ্যক্ৰম, শিকন সামগ্ৰী আৰু পাঠদান ব্যৱস্থাৰ সহায়ত এই ব্যৱস্থাত সমগ্ৰ শিক্ষা প্ৰক্ৰিয়াক শিশুৰ চাহিদা আৰু প্ৰয়োজন ভিত্তিক কৰি তোলা হয়। অনেক ক্ষেত্ৰত শিশুসকল সাহায্য প্ৰদান কৰিবলৈ যাওঁতে অতিৰিক্ত কৰ্মচাৰীৰ প্ৰয়োজন হ'ব পাৰে বা বৰ্তমান থকা কৰ্মচাৰীসকলক বিশেষ পৰামৰ্শ আৰু প্ৰশিক্ষণৰ প্ৰয়োজন হ'ব পাৰে। কোনো পৰিস্থিতিত অংশগ্ৰহণ কৰিব নোৱাৰি কোনো শিশুৰ মনত যাতে হীনমান্যতাৰ ভাৱৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো শিশুৰে অংশগ্ৰহণ কৰিব পৰাকৈ পাঠ্যক্ৰম আৰু পাঠ্যক্ৰমিক কাৰ্যাৱলী সমূহ পুনঃসংগঠন কৰিব লাগে। তলত সমন্বিত আৰু অন্তৰ্ভুক্তি শিক্ষাৰ পাৰ্থক্যসমূহ দেখুৱা হ'ল—

**তালিকা ঃ সমন্বিত আৰু অন্তৰ্ভুক্তি শিক্ষাৰ পাৰ্থক্য**

| সমন্বিত শিক্ষা | অন্তৰ্ভুক্তি শিক্ষা |
|---|---|
| • অক্ষমতাযুক্ত শিশুসকলক নিয়মীয়া বিদ্যালয়ত স্থান দিয়ে। | • অক্ষমতাযুক্ত শিশুকলৰৰ বাহিৰেও, শিক্ষাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সম্ভাৱনীয়তা বহনকাৰী আন শিশুসকলেও চুবুৰীয়া সাধাৰণ বিদ্যালয়ত স্থান পায়। |
| • অক্ষমতা যুক্ত শিশুসকলক পৃথকীকৰণ কৰা হয়। | • অক্ষমতাযুক্ত শিশু, সামাজিক অৰ্থনৈতিক, সাংস্কৃতিক আৰু ভাষাগতভাৱে বঞ্চিত এই সকলো শিশুৰ ক্ষেত্ৰতেই কোনো পৃথকীকৰণ কৰা নহয়। |





| সমন্বিত শিক্ষা | অন্তৰ্ভুক্তি শিক্ষা |
|---|---|
| • শিক্ষাৰ্থীসকলক প্ৰচলিত শিক্ষা ব্যৱস্থাৰ লগত খাপ খাই চলাতো আশা কৰা হয়।<br>• অতিৰিক্ত সাহায্যৰ বাবে শিশুক সম্পদ কক্ষত ৰখা হয়।<br>• শিশুসকলৰ অসামৰ্থতাসমূহ দেখুৱাই দিয়া হয়। | • শিশুৰ চাহিদাৰ লগত খাপ খাব পৰাকৈ শিক্ষা প্ৰক্ৰিয়াৰ প্ৰয়োজনীয় সংশোধন সাধন কৰা হয়।<br>• নিয়মীয়া শ্ৰেণী কক্ষতেই প্ৰয়োজনীয় সকলো সাহায্য উপলব্ধৰ ব্যৱস্থা কৰা হয়।<br>• পাঠ্যক্ৰম আৰু সহপাঠ্যক্ৰমিক কাৰ্যাৱলীসমূহৰ সংশোধন কৰি শিশুসকলে যাতে নিজকে অসমৰ্থ বুলি নাভাবে তাৰ ব্যৱস্থা কৰা হয়। |

ভাৰতীয় সমাজৰ মূল বৈশিষ্ট্য হৈছে 'অনৈক্যৰ মাজত ঐক্য'। এখন দেশৰ শিক্ষা ব্যৱস্থা সেই দেশৰ সামাজিক প্ৰক্ৰিয়া অনুযায়ী পৰিচালিত হয়। কিন্তু আমাৰ দেশৰ বিকাশ আৰু উন্নতিৰ প্ৰক্ৰিয়ালৈ লক্ষ্য কৰিলে ঐক্যতকৈ বৈষম্যহে অধিক প্ৰকট হয়। ব্যক্তিগত শ্ৰেণী বিভাজন, অৰ্থনৈতিক অৱস্থা, লিংগ বৈষম্য, অসামঞ্জস্যপূৰ্ণ নগৰীয়া বিকাশ ইত্যাদি দিশসমূহে সকলো লোককে শিক্ষাৰ সুযোগ প্ৰদানৰ ক্ষেত্ৰত কৃত্ৰিম সমস্যাৰ সৃষ্টি কৰা দেখা যায়। বৰ্তমান অন্তৰ্ভুক্তি শিক্ষাৰ ছত্ৰছায়াত সমাজৰ প্ৰান্তীয় দলযুক্ত লোকসকলক এক অধিকাৰ হিচাবে শিক্ষা প্ৰদানৰ বাবে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বিভিন্ন সংস্থাই সংক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। দিনে দিনে বৃদ্ধি পোৱা বিভিন্ন অনৈক্যৰ মাজতো ঐক্য স্থাপনৰ প্ৰচেষ্টা আমি শ্ৰেণী কক্ষৰ পৰাই আৰম্ভ কৰিব লাগিব।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 1**

1. আন্তৰ্জাতিক শিক্ষা কি?

.......................................................................................................

.......................................................................................................

.......................................................................................................

2. অন্তৰ্ভুক্তি শিক্ষাত শিক্ষকে মনোনিৱেশ কৰিবলগীয়া দুটা ক্ষেত্ৰ নাম লিখক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

3. অন্তৰ্ভুক্তি শিক্ষাৰ যিকোনো দুটা উপযোগিতা উল্লেখ কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................


টোকা



4. সমন্বিত শিক্ষা আৰু অন্তৰ্ভুক্তি শিক্ষাৰ দুটা পাৰ্থক্য লিখক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

## 7.3 অন্তৰ্ভুক্তি শিক্ষাক প্ৰভাৱিত কৰা কাৰকসমূহ

অন্তৰ্ভুক্তি শিক্ষা সমগ্ৰ বিশ্বতে গ্ৰহণ কৰা এক শিক্ষা ব্যৱস্থা। এই ব্যৱস্থাৰ কৃতকাৰ্যতাৰ বাবে ইয়াৰ প্ৰয়োগৰ দায়িত্বত থকা সংস্থা সমূহে শিশুৰ অধিকাৰ সমূহ স্বীকাৰ কৰি ল'ব লাগিব। বিদ্যালয়সমূহে কোনো ভেদাভেদ বিচাৰ নকৰাকৈ সমাজৰ প্ৰতিজন শিশুৰ চাহিদা পূৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ধাৰণা সহজ যেন লাগিলেও কাৰ্যক্ষেত্ৰত এই লক্ষ্য বাস্তৱায়িত কৰাত অনেক বাধা দেখা পোৱা যায়। অন্তৰ্ভুক্তি শিক্ষাৰ উদ্দেশ্য সফল কৰাৰ ক্ষেত্ৰত অনেক অসুবিধাৰ সন্মুখীন হোৱা যায়। তলত এই ক্ষেত্ৰত বাধা প্ৰদান কৰা কেইটামান গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হ'ল।

### 7.3.1. শিক্ষাৰ্থীসকলৰ মাজৰ বৈষম্যতা ঃ

একেটা বয়স শ্ৰেণীৰ অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন দিশৰ পৰা ভিন্নতা পৰিলক্ষিত হয়। শিশুসকল তেওঁলোকৰ পাৰিবাৰিক অৱস্থা, অভিৰোচন, শিকন ক্ষমতাৰ শৈক্ষিক কৃতকাৰ্যতাত সহায়কাৰী ব্যক্তিগত বৈশিষ্ট্য, মনোভাৱ, আগ্ৰহ আৰু দায়বদ্ধতাৰ দিশৰ পৰা পৃথক পৃথক। এই ভিন্নমুখী বৈষম্যমূলক এটা দলত মোকাবিলা কৰাটো বা ইয়াৰ লগত খাবখুৱাই ব্যৱস্থা গ্ৰহণ কৰাটো এক কঠিন কাম।

### 7.3.2. শিক্ষকসকলৰ প্ৰস্তুতি ঃ

বিশেষ চাহিদাযুক্ত শিশুসকলক চিনাক্ত কৰিবৰ বাবে শিক্ষকসকলক বিশেষ দক্ষতাৰ প্ৰয়োজন হয়। কিন্তু শিক্ষকক প্ৰস্তুত কৰা প্ৰগ্ৰেমসমূহত এই দিশটোৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা নহয়। শ্ৰেণীকক্ষত দৈনন্দিন সন্মুখীন হোৱা বৈষম্য বিষয়ক সমস্যাসমূহ সমাধান কৰিবলৈ যাওঁতে এজন শিক্ষকক বিশেষীকৃত প্ৰশিক্ষণৰ প্ৰয়োজন হয়। আমাৰ ৰাজ্যত এই প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা হোৱা নাই। গতিকে ই অন্তৰ্ভুক্তি শিক্ষা ব্যৱস্থা ৰূপায়ণৰ ক্ষেত্ৰত প্ৰতিকূলতাৰ সৃষ্টি কৰে।

### 7.3.3. আন্তঃগাঁথনি ঃ

অন্তৰ্ভুক্তি শিক্ষাৰ ক্ষেত্ৰত শ্ৰেণীকক্ষৰ অৱস্থিতি, আয়তন আৰু সজ্জিতকৰণ বিশেষ বিচাৰ্য বিষয়। আমাৰ দেশৰ অধিকাংশ বিদ্যালয়তে শিকনৰ বাবে প্ৰয়োজনীয় ন্যূনতম সুবিধাসমূহৰ অভাৱ দেখা যায়। হুলস্থুলীয়া পৰিৱেশৰ পৰা মুক্ত স্থান, পৰ্যাপ্ত বায়ু চলাচল কৰিব পৰা শ্ৰেণীকোঠা, শ্ৰেণীকক্ষৰ বাহিৰে ভিতৰে মুক্তভাৱে ঘূৰা ফুৰা কৰিব পৰা ঠাই, খেল পথাৰ আৰু আন সহ পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ সুযোগ সুবিধা আদি দিশসমূহ অন্তৰ্ভুক্তি শিক্ষাৰ কৃতকাৰ্যতাৰ অন্যতম চৰ্ত।



টোকা

## 7.3.4. সম্পদৰ উপলব্ধতা ঃ

শিশুসকলক শিকন কাৰ্যত সাহায্য প্ৰদানৰ বাবে আমাৰ বিদ্যালয়সমূহত উপলব্ধ বিভিন্ন সম্পদসমূহৰ কোনো প্ৰকাৰৰ অনুসন্ধানৰ কোনো ব্যৱস্থা এতিয়ালৈকে গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। বিভিন্ন প্ৰকাৰৰ শিকন সামগ্ৰীসমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত শিক্ষকসকলৰো দক্ষতাৰ অভাৱ দেখা যায়। শ্ৰেণীকক্ষত উপযুক্ত শিকন সামগ্ৰীৰ অভাৱত শিক্ষকসকল শিক্ষাৰ্থীসকলৰ ভিন্নমুখী চাহিদা সমূহ পূৰণত সমস্যাৰ সন্মুখীন হোৱা দেখা যায়।

বিশেষ কিছুমান শ্ৰেণীভুক্ত শিক্ষাৰ্থীৰ সমস্যা সমূহ সমাধানৰ বাবে পেছাগত সাহায্যৰ প্ৰয়োজন হয়। কিছুমান শিশুৰ শিক্ষা প্ৰক্ৰিয়াত সহায় কৰিবৰ বাবে, ক্লিনিকেল মনোবিজ্ঞানী, সমাজ সেৱক কৰ্মী অডিঅ'লজিষ্ট, বাক আৰু ভাষা চিকিৎসক, ফিজিঅ'থেৰাপিষ্ট, পেচামূল থেৰাপিষ্ট ইত্যাদি বিশেষজ্ঞ সাহায্যৰ প্ৰয়োজন হয়। কিন্তু এই নিৰ্ধাৰিত ক্ষেত্ৰসমূহত সাধাৰণতে আমি এই বিশেষজ্ঞসমূহৰ অভাৱ দেখিবলৈ পাওঁ। বিশেষভাৱে গাঁৱলীয়া অঞ্চলত এই বিশেষজ্ঞসকলৰ সাহায্য লাভ কৰাটো অতি কঠিন।

'অকলশৰে আমি অতি সামান্য কাম কৰিব পাৰে, একেলগে আমি বহু কাম কৰিব পাৰো।' (Alone we con do so little, together we do so much.– Helen Keller)

## 7.3.5. মূল্যায়ন প্ৰক্ৰিয়া ঃ

আমাৰ মূল্যায়ন প্ৰক্ৰিয়া অন্তত অনমনীয়। সেইবাবে শিক্ষাৰ ক্ষেত্ৰত এটি শিশুক কৃতকাৰ্যতাৰ বা অকৃতকাৰ্যতাৰ সততে ভুল পদ্ধতিৰে মান নিৰ্ণয় কৰা হয়। প্ৰকৃততে ভিন্ন ধৰণৰ শিক্ষাৰ্থীৰ বাবে ভিন্নমুখী মূল্যায়ন ব্যৱস্থাৰ প্ৰয়োজন হয়। যদি এজন শিশুৱে লিখাত অসুবিধাবোধ কৰে, তেন্তে তেওঁৰ বিভিন্ন ক্ষেত্ৰত থকা তেওঁৰ ক্ষমতা বা সামৰ্থসমূহ প্ৰকাশৰ সুযোগ লাভ কৰিব নোৱাৰিব। এই ক্ষেত্ৰত শিশুটিক লিখা বা পঢ়াৰ বাহিৰে অন্য ব্যৱস্থাৰে মূল্যায়নৰ প্ৰয়োজন হয়। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাত এনে বিকল্প মূল্যায়নৰ কোনো ব্যৱস্থা নাই। ইয়াৰ ফলত শিক্ষাৰ্থীসকলৰ মনত হতাশাৰ সৃষ্টি হয় আৰু তেওঁলোকে শিক্ষা ত্যাগ কৰে। মূল্যায়ন ব্যৱস্থাৰ এই সীমাবদ্ধতাই অন্তৰ্ভুক্তি শিক্ষাৰ সফল প্ৰয়োগত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। এই ক্ষেত্ৰত আমি আব্ৰাহাম লিংকনৰ এটি উদ্ধৃতি উল্লেখ কৰিব পাৰো— 'Every one is genius. But if you judge a fish on its obility to climb the tree, it will live its whole life belilving that it is stupid.'

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2**

1. অন্তৰ্ভুক্তি শিক্ষাক প্ৰভাৱিত কৰা চাৰিটা কাৰকৰ এখন তালিকা প্ৰস্তুত কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................



টোকা

## 7.4. অন্তৰ্ভুক্তিমূলক শ্ৰেণীকক্ষৰ সৃষ্টি ঃ

ওপৰত আমি অৰ্থপূৰ্ণ শিক্ষাৰ ৰূপৰেখাৰ সপোন বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰতিবন্ধকতা সমূহৰ বিষয়ে আলোচনা কৰিলোঁ। এইখিনিতে উল্লেখযোগ্য যে কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে অন্তৰ্ভুক্তি শিক্ষাৰ কৃতকাৰ্যতাৰ বাবে গ্ৰহণ কৰা নীতি-নিৰ্দেশনাসমূহ প্ৰকৃতপক্ষে শ্ৰেণীকক্ষত কাৰ্যকৰী কৰে শিক্ষকসকলে। গতিকে ইয়াৰ সফল প্ৰয়োগৰ ক্ষেত্ৰত শিক্ষক হিচাপে আপোনাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰো আহক। অৰ্থাৎ এজন শিক্ষকে এটি অন্তৰ্ভুক্ত শ্ৰেণীৰ সৃষ্টি কৰিবলৈ যাওঁতে কেনেধৰণৰ কাৰ্য সম্পাদন কৰিব লাগিব?

### 7.4.1. শিকন সামগ্ৰীৰ উপযুক্ত ব্যৱহাৰ ঃ

শ্ৰেণী শিক্ষাৰ মানদণ্ড উন্নত কৰিবৰ বাবে এজন শিক্ষকক শিকন সহায়ক অনেক শিকন সামগ্ৰীৰ প্ৰয়োজন হয়। বৈচিত্ৰপূৰ্ণ শিকন সামগ্ৰীৰ ব্যৱহাৰে শিশুক শিকন প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণৰ বাবে অভিৰোচিত কৰে।

**দৃশ্য-সামগ্ৰী ঃ** শিকন কাৰ্যত সহায় কৰিবৰ বাবে প্ৰয়োজন সাপেক্ষে উপযুক্ত ছবি, ফটো ইত্যাদি দৃশ্য সামগ্ৰী ব্যৱহাৰ কৰিব পৰা যায়। এটি সাগৰীয় ঘোঁৰা বা তাজমহলৰ চিত্ৰ শিশুক দেখুৱালে ই শিশুৰ বাবে ভাষিক বৰ্ণনাতকৈ অধিক ফলপ্ৰসূ হ'ব। মহান ব্যক্তিৰ ছবি, দুষ্প্ৰাপ্য জন্তুৰ আৰু উদ্ভিদৰ ছবি, ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ স্থানৰ আৰু ঘটনাৰ ফটো আদিয়ে শিশুৰ কল্পনাক সঠিক দিশত পৰিচালিত কৰাত সহায় কৰে।

**স্পৰ্শমূলক সামগ্ৰী ঃ** স্পৰ্শমূলক শিক্ষা সামগ্ৰী হিচাবে বাস্তৱ বস্তু আৰু মডেল আদি ব্যৱহাৰ কৰি নিৰ্ধাৰিত কিছুমান বিষয় বা বস্তুৰ ধাৰণা স্পষ্ট কৰি তুলিব পৰা যায়। কোনো বক্তৃতা বা ছবিৰ দ্বাৰা এটি 'প্ৰিজম'ৰ ধাৰণা স্পষ্ট কৰি তুলিব নোৱাৰি। এই ক্ষেত্ৰত এটি মডেলৰ সাহায্যতহে আমি ইয়াক সুন্দৰভাৱে উপস্থাপন কৰিব পাৰো। সেইদৰেই আভ্যন্তৰীণ অংগ প্ৰত্যংগ, ত্ৰিমাত্ৰিক জ্যামিতিক চিত্ৰ আদিৰ ধাৰণা মডেলৰ জৰিয়তেহে সহজে আয়ত্ব কৰিব পৰা যায়। স্পৰ্শমূলক সামগ্ৰী হিচাবে বাস্তৱ বস্তুসমূহো ব্যৱহাৰ কৰিব পাৰি যেনে - জবা ফুল এটাৰ দ্বাৰা ফুলৰ বিভিন্ন অংশসমূহ ব্যাখ্যা কৰিব পাৰি বা ফলৰ ক্ষেত্ৰত এটা আম ব্যৱহাৰ কৰিব পাৰি।

**পাৰিপাৰ্শ্বিক পৰিৱেশ ঃ** আমাৰ পৰিপাশ্বিক পৰিৱেশকো আমি শিকন আহিলা হিচাবে ব্যৱহাৰ কৰিব পাৰো। শিশুৰ মনত আমাৰ চাৰিওফালে দেখা গছ-গছনিৰ ভিত্তিত তৃণ, জোপোহা, বৃক্ষলতা আদিৰ আমি স্পষ্ট ধাৰণা কৰিব পাৰোঁ। সেইদৰেই ডাকঘৰ, বেংক, ক্লিনিক আদিৰ ঠাইলৈ গৈ ইয়াত কাম কৰা লোকসকলে আমাক কিদৰে সহায় আগবঢ়ায় সেই বিষয়ে এটি ধাৰণা লাভ কৰিব পৰা যায়।

**প্ৰদৰ্শন ঃ** আমাৰ পৰিৱেশত উপলব্ধ বিভিন্ন বস্তুৰ সাহায্যত কোনো পৰীক্ষা প্ৰদৰ্শন কৰি আমি শিশুসকলৰ শিকনত সহায় কৰিব পাৰো। এখন স্বচ্চ প্লাষ্টিক আৰু এটুকুৰা সূতাৰ দ্বাৰা গছৰ পাতত কিদৰে বাষ্প নিৰ্গমন হয় সেই বিষয়ে দেখুৱাব পৰা



টোকা

যায়। পেলনীয়া কাৰ্ডৰ ব্যৱহাৰ কৰি বিভিন্ন জ্যামিতিক ক্ষেত্ৰ সংক্ৰান্তৰ বিভিন্ন উপপাদ্য আৰু সূত্ৰসমূহ প্ৰদৰ্শন কৰিব পৰা যায়।

**তথ্য আৰু যোগাযোগ প্ৰযুক্তি ঃ** তথ্য আৰু যোগাযোগ প্ৰযুক্তিয়ে শিক্ষাৰ ক্ষেত্ৰত অসংখ্য ইলেক্ট্ৰনিক শিকন সামগ্ৰী প্ৰদানৰ সম্ভাৱনীয়তা বহন কৰে। আমি কম্পিউটাৰ ব্যৱহাৰ কৰিব পাৰিলে ইয়াৰ দ্বাৰা অনেক বাস্তৱ বস্তুৰ পৰিপূৰক বাস্তৱ সদৃশ প্ৰতিৰূপ কম্পিউটাৰৰ দ্বাৰা শ্ৰেণীকক্ষত দেখুৱাব পাৰোঁ। সকলো বিদ্যালয়ত শিক্ষাৰ্থীক দেখুৱাবৰ বাবে 'প্ৰিজম' নাথাকিব পাৰে। কিন্তু কম্পিউটাৰৰ দ্বাৰা 'প্ৰিজম'ৰ ত্ৰিমাত্ৰিক চিত্ৰ কম্পিউটাৰৰ দ্বাৰা শিক্ষাৰ্থীক সকলো দিশৰ পৰা দেখুৱাব পাৰো। কম্পিউটাৰত মাল্টি মেডিয়াৰ দ্বাৰা আমি আমাৰ শৰীৰৰ পৰিপাক প্ৰণালীৰ জৰিয়তে আহাৰ কেনেদৰে হজম হয় তাক দেখুৱাব পাৰো। বিভিন্ন ৰাসায়নিক বন্ধনত যুক্ত ইলেক্ট্ৰনসমূহ কম্পিউটাৰৰ সহায়ত শ্ৰাব্য, দৃশ্য আৰু ছপা মাধ্যমৰ দ্বাৰা প্ৰদৰ্শন কৰিব পৰা যায়।

**শিক্ষক নিৰ্মিত কম ব্যয়যুক্ত শিকন সামগ্ৰী ঃ**

শিক্ষক নিৰ্মিত কম ব্যয়যুক্ত শিকন সামগ্ৰী সমূহ শিক্ষাদানত ব্যৱহাৰৰ বাবে উৎকৃষ্ট। এই ক্ষেত্ৰত আমাৰ চাৰিওপালে সহজে পোৱা বা সাধাৰণতে ব্যৱহাৰ নকৰা কিছুমান বস্তু ব্যৱহাৰ কৰিব পৰা যায়। আমি পেলনীয়া বস্তুবোৰ শ্ৰেণীকক্ষত শিক্ষাদানৰ বাবে ব্যৱহাৰ কৰা আৰম্ভ কৰিলে প্ৰতিটো বস্তুৱেই আমাৰ বাবে প্ৰয়োজনীয় হৈ উঠিব। শিশুসকলে আনন্দৰে শিকন কাৰ্যত সক্ৰিয় অংশগ্ৰহণ কৰা দেখিলে শিক্ষকে সৃজনশীলতাৰে বিভিন্ন বস্তু ব্যৱহাৰ কৰাৰ বাবে উৎসাহিত হয়। ৰং বিৰঙৰ বিয়াৰ কাৰ্ডসমূহৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ ঘৰৰ আকাৰ তৈয়াৰকৰিব পাৰি। আমাৰ চাৰিওফালে পোৱা গছৰ গুটিসমূহ গণনা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। পেলাই দিয়া চিল্কৰ ফিতাসমূহ এখন দেশৰ ৰঙীন সীমা দেখুৱাবলৈ ব্যৱহাৰ কৰিব পাৰি। একেদৰেই পুৰণি আলোচনীসমূহো অনেক কামত ব্যৱহাৰ কৰিব পাৰি। এইদৰে ব্যৱহাৰ কৰিব পৰা সামগ্ৰীৰ তালিকা অতি দীঘলীয়া হ'ব। মুঠতে আমি এই সামগ্ৰীসমূহ ব্যৱহাৰ কৰিবলৈ শিকিলে আমি নিজেই এক পৰিৱৰ্তন উপলব্ধি কৰিব পাৰিম।

শ্ৰেণীৰ সকলো শিক্ষাৰ্থীক শ্ৰেণী কাৰ্যত সক্ৰিয় অংশগ্ৰহণৰ বাবে উৎসাহিত কৰাত বিভিন্ন প্ৰকাৰৰ শিকন সামগ্ৰী সমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইয়াৰ ফল শ্ৰেণীকাৰ্যৰ প্ৰতি শিক্ষাৰ্থীৰ বিৰক্তি হ্ৰাস পায় আৰু বিদ্যালয়ৰ প্ৰতি তেওঁলোক আকৰ্ষিত হয়।

## 7.4.2. ভৌতিক পৰিৱেশৰ সংশোধন ঃ

আমি বসবাস কৰা পৰিৱেশ সদায় আমাৰ বাবে উপযুক্ত হোৱা প্ৰয়োজন। যদি বিদ্যালয়ত এটি শিশু এঠাইৰ পৰা আন ঠাইলৈ চলা-ফুৰা কৰাত অসুবিধা পায়, তেন্তে শিশুৰ চাহিদা অনুযায়ী এই স্থানৰ পৰিবৰ্তন সাধন কৰিব লাগে। যদি এটি শিশুৱে চিৰি বগাই ওপৰ মহলালৈ যাব নোৱাৰে তেন্তে শ্ৰেণীসমূহ তলৰ মহলালৈ স্থানান্তৰ কৰিব লাগে। যদি এটি শিশুৱে দূৰৈত থকা এটা শ্ৰেণীলৈ খোজকাঢ়ি যোৱাত অসুবিধা পায়



টোকা

তেন্তে একাষৰীয়া ঠাইৰ পৰা শ্ৰেণী স্থানান্তৰ কৰি বিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰৰ ওচৰলৈ আনিব পাৰি।

এইদৰেই শ্ৰেণীকক্ষৰ অভ্যন্তৰৰ খালী ঠাইসমূহো এই ক্ষেত্ৰত এক বিচাৰ্য বিষয়। শ্ৰেণীৰ আচবাব পত্ৰবোৰ শ্ৰেণীকোঠাৰ ভিতৰত শিশুসকলে চলাফুৰাত বাধা নোহোৱাকৈ সজ্জিত কৰিব লাগে। শিশুৰ বঢ়া আসন সমূহো শিশুসকলৰ প্ৰয়োজনীয়তা অনুযায়ী ব্যৱস্থা কৰিব লাগে। এটি শ্ৰৱণ বিকলতাযুক্ত শিশুক প্ৰথম শাৰীৰ মাজ ভাগত বহুৱাৰ ব্যৱস্থা কৰিব লাগে। সততে শিক্ষকৰ মনোযোগৰ প্ৰয়োজন হোৱা এটি শিশুক শিক্ষকে অনবৰতে দেখি থকা ঠাইত বহুৱাব লাগে। সেইদৰে উজ্জ্বল পোহৰত দেখাত অসুবিধা পোৱা এটি শিশুক শিক্ষকে মুখত পোনে পোনে পোহৰ পৰা ঠাইত বহিবলৈ দিব নালাগে।

শ্ৰেণীকক্ষৰ ভিতৰে বাহিৰে হুলস্থুলৰ উৎসসমূহো নিয়ন্ত্ৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সহজে মনোযোগ বিক্ষিপ্ত হোৱা এজন ছাত্ৰক কৰিডৰ, খিৰিকী বা দুৱাৰৰ পৰা আঁতৰৰ স্থানত বহিবলৈ দিব লাগে। শব্দ কৰা আচবাব পত্ৰসমূহৰ তলত ৰবৰৰ লগাব পাৰে। শ্ৰেণীকক্ষত উপযুক্ত পোহৰ আৰু বায়ু চলাচলৰ ব্যৱস্থা থাকিব লাগে। কিছুমান শিশুৱে ফেন আৰু লাইটৰ পৰা অসুবিধা পাব পাৰে। শ্ৰেণীকক্ষত ব্যৱহাৰ কৰা চাৰ্টসমূহ উৰি শব্দ কৰি থাকিলে। কিছুমান শিশুৱে বিৰক্তিবোধ কৰিব পাৰে। গতিকে চাৰ্টসমূহ আঠা লগোৱাৰ ব্যৱস্থা কৰিব লাগে।

ওপৰত উল্লেখ কৰা দিশসমূহৰ বাহিৰেও শ্ৰেণীকক্ষ আৰু ইয়াৰ চৌপাশ পৰিষ্কাৰ আৰু সুসংগঠিত হোৱাটো বিশেষ গুৰুত্বপূৰ্ণ। এই ক্ষেত্ৰত শিক্ষকে বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। শিক্ষাৰ্থীসকলক ভাগ ভাগ কৈ শ্ৰেণীকক্ষ পৰিষ্কাৰ কৰাৰ দায়িত্ব অৰ্পণ কৰি এই কাৰ্য সম্পাদন কৰিব পৰা যায়। উপযুক্ত পৰিকল্পনা আৰু সুৰুচিপূৰ্ণভাৱে বিভিন্ন স্থানত চাৰ্ট আৰু বেৰত ছবি আঁৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। শ্ৰেণীকক্ষৰ পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু সুশৃংখলাবদ্ধতাই শিক্ষাৰ্থীক শিকনৰ বাবে অনুপ্ৰাণিত কৰে।

## 7.4.3. সাধাৰণ শ্ৰেণীকক্ষৰ ব্যৱস্থাপনাৰ অভিযোজন ঃ

যেতিয়া এটা শ্ৰেণীকক্ষত ভিন্ন চাহিদাযুক্ত শিশু থাকে তেতিয়া স্বাভাৱিকতে শিক্ষকসকল অনেক প্ৰত্যাহ্বানৰ সন্মুখীন হয়। গতিকে ইয়াৰ বাবে শিক্ষকে নিজকে প্ৰস্তুত কৰি তুলিব লাগে। এনে প্ৰস্তুতি লাভ কৰাৰ পিছত শিক্ষকে পৰিৱেশ পৰিস্থিতিৰ প্ৰয়োজনীয়তা অনুযায়ী বিভিন্ন কৌশল প্ৰয়োগ কৰিব পাৰে। শিক্ষক হিচাবে আমাৰ প্ৰস্তুতিৰ দ্বাৰাই শ্ৰেণীকক্ষৰ দৈনন্দিন কাম কাজৰ প্ৰকৃতি নিৰ্ধাৰিত হয়।

সূৰুজক তেওঁৰ দুষ্টামিৰ বাবে সকলোৱে জানে। তেওঁ তেওঁৰ ওচৰত বহি থকা লগৰীয়াসকলক আমনি কৰি ভাল পায়। যদি আমি তেওঁৰ আচৰণৰ প্ৰতি সংবেদনশীল তেন্তে 'মই তোমাক চাই আছো' এই দৃষ্টিৰে তেওঁলৈ এবাৰ চালেই তেওঁ সচেতন হৈ পৰিব। প্ৰিয়াই স্বাতীৰ চুলি টানি আমোদ পায় কাৰণ প্ৰিয়াই জানে যে ভয়াতুৰ স্বাতীৰ কেতিয়াও প্ৰিয়াৰ বিৰুদ্ধে শিক্ষকক অভিযোগ দিবলৈ সাহস নাই। এই ক্ষেত্ৰত প্ৰিয়া বা


টোকা

স্বাতীৰ বহা ঠাই সলনি কৰি প্ৰিয়াৰ এই আচৰণ নিয়ন্ত্ৰণ কৰিব পৰা যাব। এই দুয়োটা পৰিস্থিতিত শ্ৰেণীত কেনেদৰে আচৰণ কৰিব লাগে সেই সম্পৰ্কে বক্তৃতা দিলে কোনো কাম নিদিব। ইয়াৰ ফলত সময়ৰ অপচয় হে হ'ব। অনিলে শ্ৰেণীত ছাত্ৰ আৰু শিক্ষকৰ মনোযোগ আকৰ্ষণৰ বাবে বিশেষ শব্দ কৰে, যদি অনিলক শিক্ষকে শ্ৰেণীত প্ৰশ্নৰ সময় মতে দিয়া উত্তৰ প্ৰদান বাবে আৰু শ্ৰেণীত পৰিচালিত প্ৰজেক্টত তেওঁৰ সহযোগিতাৰ বাবে প্ৰশংসা কৰে, তেন্তে অনিলে শ্ৰেণীত শব্দ কৰাটো বন্ধ কৰিব। শুভ্ৰাই গণিতৰ সমস্যাসমূহ সমাধান কৰাত যথেষ্ট অসুবিধা পায়। এই ক্ষেত্ৰত শ্ৰেণীত আন শিক্ষাৰ্থীসকলে অংক কৰাত ব্যস্ত থকা অৱস্থাত, শিক্ষকে শুভ্ৰাৰ ওচৰত বহি তেওঁক গণিতৰ সমস্যা সমাধানত সহায় কৰিব পাৰে। ৰামায়াই ব্লেকবোৰ্ডৰ পৰা টোকা সমূহ লিখিব নিবিচাৰে, কাৰণ তেওঁ লিখাৰ ক্ষেত্ৰত কিছু সুবিধা পায়। গতিকে শিক্ষক ৰামায়াৰ ওচৰলৈ গৈ তেওঁক উৎসাহ প্ৰদান কৰি বোৰ্ডৰ পৰা টোকা লিখিবলৈ অভিৰোচিত কৰিব পাৰে। সন্তোষে পঢ়াত অসুবিধা পায় আৰু অনেক ভুল কৰে। তেওঁ পঢ়িলে গোটেই শ্ৰেণীৰ শিক্ষাৰ্থীসকল হাঁহে বাবে তেওঁ অপমানিত বোধ কৰে। সেয়েহে শিক্ষকে তেওঁ শ্ৰেণীৰ আন শিক্ষাৰ্থীৰ তুলনাত অধিক দক্ষতা দেখুৱাব পৰাৰ যোগ্যতা থকা কোনো ক্ষেত্ৰৰ লগত জড়িত কোনো কাম তেওঁক কৰিবলৈ দিব পাৰে। ইয়াৰ দ্বাৰা অতি সহজে সন্তোষৰ আত্মবিশ্বাস বৃদ্ধি কৰিব পৰা যায়।

শিক্ষকৰ শ্ৰেণীকক্ষৰ ব্যৱস্থাপনা অভিজ্ঞতাৰ দ্বাৰা পৰিমাৰ্জিত হয়। অতি কম সময় আৰু প্ৰচেষ্টাৰেই আমি শ্ৰেণীকক্ষৰ দৈনন্দিন অনেক সমস্যাৰে আয়ত্বলৈ আনিব পাৰে। ইয়াৰ বাবে শ্ৰেণীৰ প্ৰতিজন শিশুৰ প্ৰতি আমাৰ মৰম আৰু বিশ্বাসৰ প্ৰয়োজন।

## 7.4.4. শিশু উপযোগী মূল্যায়ন ব্যৱস্থাৰ প্ৰয়োগ

অনমনীয় মূল্যায়ন ব্যৱস্থা অন্তৰ্ভুক্তি শিক্ষাৰ শ্ৰেণীকক্ষত ব্যৱহাৰৰ বাবে উপযুক্ত নহয়। প্ৰকৃততে মূল্যায়নৰ দ্বাৰা শিশুৱে কি কৰিব নোৱাৰে এই দিশটো নিৰ্ধাৰণ কৰাৰ পৰিবৰ্তে কি কৰিব পাৰে এই দিশটোৰ নিৰ্ণয় কৰাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিব লাগে। এজন শিক্ষকে শ্ৰেণীকক্ষৰ প্ৰতিজন শিশুৰ লগত খাপ খোৱাকৈ মূল্যায়ন প্ৰক্ৰিয়াক কেনেকৈ পৰিচালিত কৰিব পাৰে সেই বিষয়ে আমি বিচাৰ কৰি চাব পাৰো।

শ্ৰুতি চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী। তেওঁ শ্ৰেণীৰ প্ৰতিটো পাঠেই আয়ত্ব কৰিব পাৰে। কিন্তু যেতিয়া শিক্ষকে শ্ৰুতিক মৌখিক পৰীক্ষাত কোনো প্ৰশ্ন সোধে তেতিয়া তাই ইয়াৰ উত্তৰ দিব নোৱাৰে। তাইৰ সমস্যা কাৰণ হৈছে হয়তো তাই ভাষাৰে প্ৰকাশ কৰাত অসুবিধা পায় অথবা শিক্ষকৰ সন্মুখত কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ লাজ কৰে। এই ক্ষেত্ৰত আমাৰ উদ্দেশ্য হৈছে তেওঁৰ শিকনৰ মাত্ৰা নিৰ্ধাৰণ কৰা, তেওঁৰ প্ৰকাশ ক্ষমতা বিচাৰ কৰা নহয়। এনে পৰিস্থিতিত শ্ৰুতিৰ শিকনৰ মান নিৰ্ণয়ৰ বাবে শিক্ষক হিচাবে আমি বিকল্প হিচাবে কি ব্যৱস্থা প্ৰয়োগৰ বাবে চিন্তা কৰিব পাৰো? এই ক্ষেত্ৰত আমি প্ৰতিক্ৰিয়া সৃষ্টি কৰিবৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ সংশোধন কৰিব পাৰো। আমি শিশুৰ নিজস্ব সক্ষমতা অনুযায়ী কম্পিউটাৰ, চিত্ৰ বা লিখিত মাধ্যম ইত্যাদি অনেক মাধ্যমৰ



টোকা

দ্বাৰা শিক্ষাৰ্থীৰ প্ৰতিক্ৰিয়া সৃষ্টিৰ ব্যৱস্থা কৰিব পাৰো।

কোনো এটি শিশুৱে কেতিয়াবা দৃষ্টিমূলক অসুবিধাজনিত কাৰণত ছপা সামগ্ৰী পঢ়াত অসুবিধাবোধ কৰিব পাৰে। এই ক্ষেত্ৰত শিক্ষকে বেৰেলী বা ডাঙৰ ডাঙৰ ছপা সামগ্ৰী মূল্যায়নৰ বাবে ব্যৱহাৰ কৰিব পাৰে।

বিক্ৰম ১৩ বছৰীয়া আৰু সপ্তম শ্ৰেণীত পঢ়ে। তেওঁৰ বয়সৰ তুলনাত বিমূৰ্ত ধাৰণাসমূহ বুজি পোৱাৰ ক্ষমতা নিম্ন। কিন্তু তেওঁ সাধাৰণ প্ৰশ্নসমূহৰ উত্তৰ দিব পাৰে। এজন শিক্ষকে কেনেদৰে এই ল'ৰাজনৰ শৈক্ষিক মান নিৰ্ণয় কৰিব? এই ক্ষেত্ৰত উপযুক্ত কৌশল হৈছে বৰ্জন। এই ব্যৱস্থাত বিক্ৰমৰ শৈক্ষিক মান নিৰ্ণয়ৰ ক্ষেত্ৰত শিক্ষকে জটিল ধাৰণাসমূহ বাদ দিব পাৰে। কাৰণ শিক্ষকে জানে যে এই ক্ষেত্ৰত বিক্ৰমৰ প্ৰতিক্ৰিয়া প্ৰদানত অসুবিধা আছে।

কিছুমান শিশুৱে মূল শৈক্ষিক কৌশলসমূহ শিকিব নোৱাৰে। কিন্তু তেওঁলোকৰ আন কোনো ক্ষেত্ৰত প্ৰতিভা থাকিব পাৰে। এই ক্ষেত্ৰত শিক্ষকে শিকনৰ মান নিৰ্ণয়কৰণত পৰিপূৰক, কৌশল প্ৰয়োগ কৰিব পাৰে। ইয়াৰ অৰ্থ হৈছে শিশুটিৰ বৃত্তিগত ক্ষেত্ৰৰ দক্ষতা বা ব্যক্তিগত আত্ম পৰিচৰ্যামূলক ক্ষেত্ৰত ক্ষমতাৰ ভিত্তিত মান নিৰ্ণয় কৰা।

এইদৰেই শিশুসকলক বুজি শিশু সম্পৰ্কীয় জ্ঞানৰ ভিত্তিত আমি স্বাধীনভাৱে মূল্যায়ন ব্যৱস্থা পৰিচালিত কৰিলে বিদ্যালয় এক সুন্দৰ ঠাই হৈ উঠিব আৰু পৰীক্ষা সংক্ৰান্তৰ সন্ত্ৰাসৰ পৰা আমি মুক্তি লাভ কৰিম।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 3**

1. মূল্যায়নৰ অনমনীয়তা দূৰ কৰিবৰ বাবে চাৰিটা উপায় লিখক।

........................................................................................................

........................................................................................................

........................................................................................................

## 7.5. শিক্ষা প্ৰক্ৰিয়াৰ পৰা বহিৰ্ভুত হোৱাৰ সম্ভাৱনাযুক্ত শিশুসকল

সমাজৰ লক্ষ লক্ষ শিশু আৰু যুৱ প্ৰজন্ম শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত। তেওঁলোকে উপযুক্ত পৰিৱেশত উপযুক্ত শিক্ষাৰ সুযোগ লাভ কৰিবপৰা নাই। বিদ্যালয় শিক্ষাৰ বাহিৰত এইদৰে ৰৈ যোৱা অধিকাংশ শিশুৰ বাবে বিদ্যালয় পৰিৱেশ অনুকূল নহয়। তেওঁলোকে হয়তো চুবুৰীয়া বিদ্যালয়ত নামভৰ্তিৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে অথবা অনিবাৰ্য কাৰণবশতঃ বিদ্যালয়ৰ পৰা আঁতৰি আহিব লগা হৈছে। এতিয়া আমি বিদ্যালয়ৰ পৰা বাহিৰত ৰৈ যোৱাৰ সম্ভাৱনাবহনকাৰী বিভিন্ন শিশুসকলৰ বিষয়ে আলোচনা কৰো আহক।



টোকা

## 7.5.1. অক্ষমতাযুক্ত শিশুসকল

অক্ষমতাযুক্ত শিশুসকলৰ মূল শৈক্ষিক কৌশলসমূহ শিকাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হোৱা বাবে শিক্ষাৰ ক্ষেত্ৰত অনেক অসুবিধাৰ সৃষ্টি হয়। অক্ষমতাৰ প্ৰকৃতি অনুযায়ী এই শিশুসকলে বিদ্যালয়ত অনেক সমস্যাৰ সন্মুখীন হ'ব লগা হয়।

(ক) সংজ্ঞানাত্মক আৰু শিকন অক্ষমতাযুক্ত শিশু ঃ

বিভিন্ন মাত্ৰাৰ মানসিক বাধাগ্ৰস্থতাত ভোগা শিশুসকল শিকনত বা শিক্ষণীয় বিষয় সীমাবদ্ধ সংজ্ঞানাত্মক ক্ষমতাৰ পৰিপ্ৰেক্ষিতত শ্ৰেণীকক্ষত ন্যূনতম প্ৰয়োজনীয় আয়ত্বকৰণত অসুবিধাৰ সন্মুখীন হয়। শিকন অক্ষমতাযুক্ত শিশুসকলে মূল শৈক্ষিক দক্ষতা বা কৌশল যেন পঢ়া, লিখা আৰু গণনা কৰা বা গণিতৰ দক্ষতা আয়ত্বকৰণৰ অসুবিধাত ভোগে। এই শিশুসকলৰ কিছুমানৰ শিকন সমস্যাসমূহ অনেক সময়ত শিক্ষকে চিনাক্ত কৰিব নোৱাৰিবও পাৰে।

(খ) **সামাজিক, আবেগিক আৰু আচৰণমূলক বিসংগতিযুক্ত শিশু ঃ**

সামাজিক, আবেগিক আৰু আচৰণমূলক বিসংগতিযুক্ত শিশুসকলে শ্ৰেণীকক্ষৰ কাম-কাজত মনোনিৱেশ কৰাত অসুবিধা বোধ কৰে। এই অসুবিধা তেওঁলোকৰ সামাজিক দক্ষতাৰ অভাৱ আবেগিক বাধা বা আচৰণমূলক বিসংগতিৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হ'ব পাৰে। এই শিশুসকলৰ এনে অসুবিধাৰ কাৰণ সমূহ শিক্ষকৰ বাবে সাধাৰণতে পৰিচিত নোহোৱা বাবে তেওঁলোকৰ আশে পাশে থকা লোকসকলে তেওঁলোকক সাধাৰণতে ভুল বুজে।

(গ) **ভাষা আৰু যোগাযোগৰ সমস্যা ঃ**

কিছুমান শিশুক তেওঁলোকৰ সমবয়সীয়া শিশুসকলৰ লগত সাধাৰণতে একে যেন লাগে। কিন্তু তেওঁলোকৰ কোনো কথা বুজাত আৰু উপযুক্ত ভাষাৰ দ্বাৰা প্ৰকাশ কৰাত গুৰুতৰ সমস্যা থাকিব পাৰে। এই শিশুসকলে বিদ্যালয়ৰ শৈক্ষিক আৰু অশৈক্ষিক কাম-কাজবোৰ সম্পাদনত অসুবিধাৰ সন্মুখীন হয়।

(ঘ) **ইন্দ্ৰিয়জনিত বিকলতা ঃ**

আমি বিদ্যালয়ত দৃষ্টি আৰু শ্ৰৱণ সংক্ৰান্তৰ বিকলতাযুক্ত কিছুমান শিশু পাওঁ। এই সমস্যাসমূহ সাধাৰণৰ পৰা গুৰুত্বৰ বিধৰ হ'ব পাৰে। আৰু শ্ৰেণীকক্ষত এই অসুবিধাসমূহ মোকাবিলা কৰা অতি জটিল কাম। আংশিক দৃষ্টিহীনতা আৰু সাধাৰণ শ্ৰৱণ বিকলতায়ো অনেক শৈক্ষিক সমস্যাৰ সৃষ্টি কৰিব পাৰে।

(ঙ) **দৈহিক বিচ্যুতি ঃ**

বিদ্যালয়লৈ যোৱা অনেক শিশুৰ সামগ্ৰিক বা সূক্ষ্ম সঞ্চালনৰ ক্ষেত্ৰত অসুবিধা থাকিব পাৰে। অস্থিসংক্ৰান্তীয়, স্নায়ু সংক্ৰান্তীয় আৰু মাংসপেশী সংক্ৰান্তীয় ভিন্ন কাৰণত শৰীৰৰ বিভিন্ন অংশসমূহৰ মাজত সমন্বয়ৰ অভাৱ হৈ এই সমস্যাসমূহৰ সৃষ্টি হ'ব পাৰে। এই সমস্যাই বিদ্যালয় পৰিৱেশত শিশুৰ বাবে সাধাৰণৰ পৰা গুৰুতৰ শৈক্ষিক প্ৰত্যাহ্বানৰ



টোকা

সৃষ্টি কৰিব পাৰে।

(চ) **স্বাস্থ্যজনিত সমস্যা ঃ**

অনেক সময়ত শিশুসকলে সৰু কালৰ বিশেষ স্বাস্থ্যজনিত সমস্যাৰ বাবে দীৰ্ঘদিনৰ বাবে বিদ্যালয়ত উপস্থিত থাকিব নোৱাৰে। কিছুমান শিশুৱে বিদ্যালয় ত্যাগ কৰাৰ এইটোও এটা গুৰুত্বপূৰ্ণ কাৰণ। বিভিন্ন ধৰণৰ বেমাৰৰ পৰিপ্ৰেক্ষিতত এই সমস্যাৰ সৃষ্টি হ'ব পাৰে। শিশুকালৰ ডায়েবেটিচ, আৰ্থাইটিচ, মৃগী, অপুষ্টিজনিত দুৰ্বলতা ইত্যাদি সাধাৰণতে প্ৰাথমিক স্তৰত পৰিলক্ষিত হোৱা এনেধৰণৰ অসুস্থতা উদাহৰণ।

ওপৰত আলোচনা কৰা বিভিন্ন শ্ৰেণীৰ অক্ষমতা সমূহে শিশুক বিদ্যালয়ত নিয়মীয়া উপস্থিতিত বা শিকনত বাধাৰ সৃষ্টি কৰে। ফলত এই সমস্যাসমূহৰ সন্মুখীন হোৱা শিশুসকলৰ নিয়মীয়া বিদ্যালয় শিক্ষা ব্যাহত হয়। শিক্ষক হিচাবে আমি এই শিশুসকলক চিনাক্ত কৰা আৰু তেওঁলোকৰ আচৰণজনিত সমস্যাসমূহৰ প্ৰতি সংবেদনশীল হোৱা উচিত। এই ব্লকৰ এটা পৃথক গোটত প্ৰতিটো প্ৰকাৰৰ সমস্যাৰ বিশদ ব্যাখ্যা আৰু শ্ৰেণীকক্ষত ইয়াৰ ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰা হৈছে। উল্লেখযোগ্য যে যদি এই সমস্যাসমূহ সাধাৰণ শিক্ষক হিচাবে আপোনাৰ নিয়ন্ত্ৰণাধীন নহয় তেন্তে আপুনি সময় নষ্ট নকৰি তৎকালে পেছাগত পৰামৰ্শৰ বাবে বিশেষজ্ঞৰ ওচৰলৈ পঠোৱাৰ ব্যৱস্থা কৰিব লাগে।

## 7.5.2. বঞ্চিত পৰিৱেশৰ পৰা অহা শিশুসকল ঃ

এইটো প্ৰতিষ্ঠিত সত্য যে বসবাসৰ বঞ্চিত পৰিৱেশে শিশুসকলৰ ধাৰণা গঠন প্ৰক্ৰিয়াক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে। দৰিদ্ৰ পৰিয়াল, দিন হাজিৰা কৰি চলা পৰিয়াল, বস্তি অঞ্চলৰ বাসিন্দা আৰু ভগ্ন পৰিয়ালৰ পৰা অহা শিশুসকলে স্বাভাৱিকভাৱেই অৰ্থনৈতিক, সামাজিক আৰু মানসিক পৰিৱেশত অনেক সমস্যাৰ সন্মুখীন হয়।

## 7.5.3. ছোৱালী শিশু ঃ

অনেক সময়ত দৈহিক, সামাজিক আৰু সাংস্কৃতিক কাৰণত ছোৱালী শিশুসকল বঞ্চিত হয়। বিশেষকৈ গাঁৱলীয়া আৰু ৰক্ষণশীল যৌথ পৰিয়ালসমূহত ছোৱালীসকলৰ প্ৰতি পৃথক আচৰণ কৰা হয়। এই ক্ষেত্ৰত পৰিয়ালৰ দ্বাৰা নিৰ্ধাৰিত ছোৱালীৰ ভূমিকাত তেওঁলোকৰ শৈক্ষিক চাহিদাক অৱহেলা কৰা হয়। কিছুমান পৰিয়ালত ছোৱালীক শিক্ষা গ্ৰহণৰ বাবে কোনো উৎসাহ প্ৰদান কৰা নহয়। গতিকে ছোৱালী শিশুসকলৰ ক্ষেত্ৰত অৱহেলিত হৈ বিদ্যালয়ৰ বাহিৰত ৰৈ যোৱাৰ সম্ভাৱনা অধিক। ছোৱালী শিশুসকলৰ সমস্যা আৰু ইয়াৰ সমাধান সম্পৰ্কে এই কোৰ্চৰ চতুৰ্থ ব্লকৰ এটা গোটত আলোচনা কৰা হৈছে।

## 7.5.4. প্ৰতিভাসম্পন্ন আৰু সৃজনীশীল শিশু ঃ

কিছুমান শিশুৰ খেলাধূলা, সংগীত, নৃত্য, কলা ইত্যাদি দিশত বিশেষ প্ৰতিভা থকা



টোকা

দেখা যায়। এই বিশেষ ক্ষমতা সমূহ শৈক্ষিক ক্ষেত্ৰৰ বিজ্ঞান, গণিত বা ভাষা আদি দিশৰ লগতো জড়িত হ'ব পাৰে। কিন্তু তেওঁলোকৰ প্ৰতিভাসমূহক শ্ৰেণীকক্ষত উদগণি দিয়াৰ কোনো ব্যৱস্থা নথকা বাবে তেওঁলোকে শ্ৰেণী পৰিৱেশক নিৰস অনুভৱ কৰিব পাৰে। কিছুমান শিশুক তেওঁলোকৰ ব্যতিক্ৰমী ধাৰণা আৰু চিন্তাৰ বাবে শিক্ষকসকলে অশান্তি সৃষ্টিকাৰী শিশু হিচাপে চিহ্নিত কৰিব পাৰে। এই শিশুসকলৰ বাবে আমাৰ নিয়মীয়া শ্ৰেণীসমূহ বিৰক্তিকৰ হৈ উঠে। আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাত শৈক্ষিক কৃতকাৰ্যতাক কেন্দ্ৰ কৰি শিশুৰ বৈখিক বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়া হয়। এই ব্যৱস্থাই প্ৰতিভাসম্পন্ন আৰু সৃজনীশীল শিশুসকলক বিদ্যালয়ৰ অনেক কাম কাজৰ ক্ষেত্ৰত বঞ্চিত কৰে। ইয়াৰ বিপদজনক দিশটো হৈছে এই বঞ্চিতকৰণৰ ফলত অনেক শিশুৱে বিদ্যালয়ৰ পৰা আঁতৰি যায়।

## 7.5.5. অন্যান্য - নিম্ন পাৰদৰ্শিতাৰ শিশু, অনগ্ৰসৰ, সংখ্যালঘু সম্প্ৰদায় আৰু ভৌগোলিকভাৱে বাধাগ্ৰস্থ ঃ

নিম্ন পাৰদৰ্শিতাৰ শিক্ষাৰ্থীসকল হৈছে সেইসকল শিক্ষাৰ্থী যিসকলে তেওঁলোকৰ পূৰ্ণ সম্ভাৱনীয়তা থকা সত্বেও বিদ্যালয়ত পাৰদৰ্শিতা দেখুৱাব নোৱাৰে। পৰিৱেশৰ অনেক কাৰকে এওঁলোকৰ মনোযোগ বিচ্যুত কৰা বাবে এই শিশুসকলৰ সম্ভাৱনীয়তা সমূহৰ পূৰ্ণ প্ৰকাশ ব্যাহত হয়। এই কাৰকসমূহৰ ভিতৰত টি ভি, কম্পিউটাৰ আৰু সমাজৰ আন সহজলভ্য আমোদ প্ৰমোদ ব্যৱস্থা সমূহ অন্তৰ্ভুক্ত। সেইদৰেই পাৰদৰ্শিতা লাভৰ ক্ষেত্ৰত অধিক হেঁচা, বিদ্যালয়, পিতৃ-মাতৃ আৰু নিজৰ ফালৰ পৰা অত্যধিক প্ৰত্যাশা, অনমনীয় আৰু একঘেয়ামী বা বিৰক্তিকৰ বিদ্যালয়ৰ কাম-কাজ ইত্যাদি কাৰকৰ প্ৰভাৱতো অনেক ক্ষেত্ৰত শিশুসকলে নিম্ন পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পাৰে।

কিছুমান সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকৰ বিশেষ দৈহিক, ভাষিক বা সাংস্কৃতিক বৈশিষ্ট্যৰ বাবে সমাজত সামগ্ৰিকভাৱে বৈষম্যৰ সন্মুখীন হয়। তেওঁলোকৰ জীৱন শৈলী, ভাষা, সংস্কৃতি জাতিগত মূলবোধ বা বিশ্বাসসমূহ সমাজৰ গৰিষ্ঠ সংখ্যক লোকৰ পৰা পৃথক। এই লোকসকলক সংখ্যালঘু বুলি কোৱা হয়। এই সংখ্যালঘু গোটৰ অন্তৰ্ভুক্ত লোকসকলে সমাজৰ সকলো কামতে পূৰ্ণ সহযোগ কৰিব নোৱাৰে। যদি ইয়াৰ লগত দৰিদ্ৰতা আৰু অক্ষমতা আদি কাৰক যোগ হয় তেন্তে তেওঁলোক অধিক বঞ্চনাৰ সন্মুখীন হ'ব লগা হয়।

অনেক সময়ত ভৌগোলিক অৱস্থিতিয়েও কিছুমান শিশুক উপযুক্ত পৰিৱেশত শিক্ষা গ্ৰহণৰ সুযোগৰ পৰা বঞ্চিত কৰে। পাহাৰীয়া ঠাই, দুৰ্গম ঠাই, যাতায়াতৰ সুব্যৱস্থা নথকা ঠাই আদিৰ শিশুসকলৰ বাবে অনেক সময়ত বিদ্যালয় শিক্ষা গ্ৰহণ অসম্ভৱ হৈ পৰে।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 4**

1. শ্ৰেণী শিকনৰ ক্ষেত্ৰত প্ৰত্যক্ষ কৰা দুটা ইন্দ্ৰিয়জনিত বিফলতাৰ নাম লিখক।



টোকা

..............................................................................................................

..............................................................................................................

..............................................................................................................

2. প্ৰাথমিক বিদ্যালয়ত সততে দেখা দুটা স্বাস্থ্যজনিত সমস্যাৰ নাম লিখক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

3. প্ৰাথমিক স্তৰত শিক্ষাৰ্থীসকলৰ মাজত দেখা নিম্ন শৈক্ষিক পাৰদৰ্শিতাৰ দুটা সম্ভাব্য কাৰণ কি কি?

..............................................................................................................

..............................................................................................................

..............................................................................................................

**অগ্ৰগতিৰ পৰীক্ষাৰ উত্তৰসমূহ ঃ**

**আপোনাৰ অগ্ৰগতি পৰীক্ষা - 1**

1. শিক্ষা ব্যৱস্থাত অৱহেলিত হোৱাৰ সম্ভাৱনা থকা সকলো শিশুক শিক্ষাদানৰ যি ব্যৱস্থা তাকে অন্তৰ্ভুক্তি শিক্ষা বুলি কোৱা হয়।
2. সকলো শিশুকে এটা দলৰ সদস্য হিচাবে গ্ৰহণ কৰে, সকলো শিশুৰ অংশগ্ৰহণ নিশ্চিত কৰে, শ্ৰেণী সংস্কৃতিৰ পুনঃ সংগঠন কৰে।
3. শিক্ষাৰ্থীৰ উপযোগী হোৱাকৈ শ্ৰেণী পৰিবেশক উন্নত কৰিব পৰা যায়। এই ব্যৱস্থাই সমাজৰ সকলো স্তৰতে বিয়পি থকা বৈষম্যসমূহ দূৰ কৰাত সহায় কৰিব পাৰে।
4. সমন্বিত শিক্ষাত শিক্ষাৰ্থীসকল প্ৰচলিত শিক্ষা ব্যৱস্থাত খাপ খাই পৰাৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু অতিৰিক্ত সাহায্যৰ বাবে প্ৰয়োজনবোধে শিশুক সম্পদ কক্ষত ৰখা হয়। ইয়াৰ বিপৰীতে অন্তৰ্ভুক্তি শিক্ষাত শিশুসকলৰ চাহিদাৰ লগত খাপ খোৱাকৈ শিক্ষা ব্যৱস্থাৰ সংশোধন কৰা হয়। ইয়াত শিশুৰ প্ৰয়োজনীয় সকলো সাহায্য শ্ৰেণীকক্ষতে প্ৰদান কৰা হয়।

**আপোনাৰ অগ্ৰগতি পৰীক্ষা - 2**

1. শিক্ষাৰ্থীৰ মাজৰ ভিন্নতা, শিকন সম্পদৰ উপলব্ধতা, শিক্ষকসকলৰ প্ৰস্তুতি আৰু অনমনীয় মূল্যায়ন পদ্ধতি

**আপোনাৰ অগ্ৰগতি পৰীক্ষা - 3**

1. সংশোধন, প্ৰতিস্থাপন, বৰ্জন, ক্ষতিপূৰণ

**আপোনাৰ অগ্ৰগতি পৰীক্ষা - 4**



টোকা

1. দৃষ্টি আৰু শ্ৰৱণ বিফলতা
2. শিশুকালৰ ডায়েবেটিচ, আৰ্থাইটিচ বা ছাত্ৰ অপুষ্টিজনিত দুৰ্বলতা

## 7.6. সংক্ষেপে জানি থওঁ আহক ঃ

এখন দেশৰ প্ৰতিজন শিশুৰ সৰ্বোত্তম বিকাশৰ বাবে সমান সুযোগ-সুবিধা প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ দায়বদ্ধতা আছে। এই দায়বদ্ধতাক বাস্তৱ ৰূপ দিবৰ বাবেই 'অন্তৰ্ভুক্তি শিক্ষাৰ' ব্যৱস্থা কৰা হৈছে। বৰ্তমান সময়ত সকলো শিক্ষা পৰিকল্পনা আৰু নীতিতে কোনো বিশেষ শ্ৰেণীৰ শিক্ষাৰ্থী শিক্ষাৰ প্ৰক্ৰিয়াৰ পৰা বাদ পৰি ৰোৱাৰ ব্যৱস্থা ৰোধ কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। অন্তৰ্ভুক্তিৰ অৰ্থ হৈছে শিশুৰ আভ্যন্তৰীণ শক্তি আৰু আত্মবিশ্বাস সৃষ্টি কৰাৰ এক প্ৰক্ৰিয়া। অন্তৰ্ভুক্তি শিক্ষাত বিভিন্ন বাহ্যিক কাৰকৰ পৰিপ্ৰেক্ষিত শিশুসকলৰ মাজত সৃষ্টি হোৱা বিভিন্ন সীমাবদ্ধতাসমূহ বিচাৰ নকৰাকৈ তেওঁলোকৰ ভিন্নতাক স্বীকাৰ কৰি ইয়াক ইতিবাচক দৃষ্টিভংগীৰে বিচাৰ কৰি চায়। শিক্ষা পৰিৱেশত শিক্ষক এই বৈষম্যসমূহৰ প্ৰতি প্ৰতিক্ৰিয়াশীল হ'ব লাগে। আনহাতেদি সমন্বয়ন শব্দই সাধাৰণ শিক্ষাৰ্থীৰ বাবে নিৰ্ধাৰিত শিক্ষা ব্যৱস্থাত অক্ষমতাযুক্ত শিশুসকলক অংশীদাৰ কৰাক বুজায়। এই সমন্বয়নে অন্তৰ্ভুক্তিৰ বাবে প্ৰস্তুতি প্ৰদান কৰে। অন্তৰ্ভুক্তিয়ে শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন কৰি, শিশুৰ পৰিবৰ্তনত গুৰুত্ব দিয়ে। শিক্ষাৰ্থীসকলৰ মাজৰ ভিন্নতা, শিক্ষকৰ প্ৰস্তুতি, দুৰ্বল আন্তঃগাঁথনি, সম্পদৰ অভাৱ, আৰু অনমনীয় মূল্যায়ন ব্যৱস্থা ইত্যাদি কাৰকে এই উদ্দেশ্য পূৰণত বাধাৰ সৃষ্টি কৰে। অন্তৰ্ভুক্তি শ্ৰেণীকক্ষ এটা সৃষ্টিৰ ক্ষেত্ৰত এজন শিক্ষকে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিব পাৰে। অক্ষমতা যুক্ত শিশু, প্ৰতিভা সম্পন্ন আৰু সৃজনশীল শিশু, সংখ্যালঘু সম্প্ৰদায়ৰ শিশু আৰু অৰ্থনৈতিকভাৱে বঞ্চিত শিশুসকলে বিদ্যালয় পৰিৱেশত সমস্যাৰ সন্মুখীন হয়। শ্ৰেণীকক্ষত তেওঁলোকৰ ভিন্নমুখী চাহিদাসমূহ উপযুক্ত শিকন সামগ্ৰী আৰু সাধাৰণ ব্যৱস্থাপনা কৌশল প্ৰয়োগ কৰি পূৰণ কৰিব পৰা যায়।

## 7.7. অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি ঃ


1. Jhulka, A. (2006) "*Including children and youth with disabilities in education – a guide for practioners*" NCERT, New Delhi
2. *Right to Education Bill (2005* Draft, enacted 2009) Available online.
3. Internet Source, SSA (2002). 'Basic features of SSA', Inclusive education in SSA, Retrieved from www.ssa.nic.in/ inclusive_education /ssa_plan_manualavailable online
4. Mani, M.N.G. (2000). *Inclusive Education in Indian Context.* International Human Resource Development Center (IHRDC) for the Disabled, Coimbatore: Ramakrishna Mission Vivekannanda University.
5. Swarup, S. (2007). Inclusive Education, *Sixth Survey Of*



টোকা



*Educational Research 1993* N.Delhi.: *2000.* NCERT.

6. Hallahan, D.P., Kauffma, J.M., Pullen, P.C. (2009). *Exceptional learners: An Introduction to Education* (11th Ed.), USA: Allyn& Bacon, Pearson Education, Inc.
7. Alur, M. & Batch, M. (2005) "Inclusive Education – From Rhetoric to Reality. The North SoouthDialougue II" Viva Books Pvt Ltd. New Delhi
8. Hwang, Y. S., & Evans, D. (2011) "Attitude towards Inclusive Education: Gaps Between Belief and Practice". International Journal of Special Education, Vol 26, No. 1

Kalyanpur, M. (2007) "Equality, Quality and Quantity: Challenges in Inclusive Education Policy and Service Provision in India". International Journal of Inclusive Education, 2007, Vol 20, No 1.

## 7.8. গোটৰ অন্তৰ অনুশীলন ঃ

1. অন্তৰ্ভুক্তি শিক্ষা কি?
2. অন্তৰ্ভুক্তি শিক্ষাৰ গুৰুত্ব কি?
3. অন্তৰ্ভুক্তি শিক্ষা সমন্বিত শিক্ষাৰ পৰা কিদৰে পৃথক।
4. আপোনাৰ অভিজ্ঞতাৰ ভিত্তিত অন্তৰ্ভুক্তি শিক্ষাত প্ৰভাৱিত কৰা দুটা কাৰকৰ বিষয়ে বিশদ আলোচনা কৰক।
5. শ্ৰেণীকক্ষত সকলো ছাত্ৰৰ অংশগ্ৰহণ নিশ্চিত কৰিবৰ বাবে শ্ৰেণীকক্ষৰ ভৌতিক আন্তঃগাঁথনিৰ কিদৰে পুনঃ সংশোধন কৰিব পাৰিম?
6. 'অক্ষমতাযুক্ত শিশুসকল শিক্ষাৰ ক্ষেত্ৰত প্ৰত্যাহ্বান মূলক' — কথাষাৰ ব্যাখ্যা কৰক।
7. বঞ্চিত গৃহ পৰিৱেশে শিশুৰ গুণগত শিক্ষা লাভত কেনেদৰে অন্তৰায়ৰ সৃষ্টি কৰে ব্যাখ্যা কৰক।

*****